


গুৱাহাটী আৰু নগাঁৰৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ২০ জুন, ২০২৫/৫ আহাৰ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৯ ● Vol - 14, Issue - 9

# ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ বিস্ফোৰণৰ ঘটনাত প্ৰভাৱিত হৈ আশ্ৰয় শিৱিৰত থকা পৰিয়ালসমূহক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

## প্ৰভাৱিত পৰিয়ালসমূহক ৰাজ্য চৰকাৰে সকলো প্ৰকাৰৰ সহায় আগবঢ়াব ঃ মুখ্যমন্ত্ৰী



**দিছপুৰ ঃ** শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ বাৰীচুক অঞ্চলত সংঘটিত ৰিগ বিস্ফোৰণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ পৰা স্থানান্তৰিত হৈ আশ্ৰয় শিৱিৰত বৰ্তমান আশ্ৰয় গ্ৰহণ কৰি থকা পৰিয়ালসমূহক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাক্ষাৎ কৰে। শিৱসাগৰৰ ভটীয়াপাৰস্থিত বনগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত স্থাপিত এই আশ্ৰয় শিৱিৰটোত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে আশ্ৰয় লৈ থকা ব্যক্তিসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰো বুজ লয়। এই পৰিদৰ্শনৰ পিছত উপস্থিত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে ঘটনাটো সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি কয় যে অ'এনজিচিয়ে এই বিষয়টো গুৰুত্ব সহকাৰে ল'বই লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ বিষয়টোক ৰাজ্য চৰকাৰে উচ্চ প্ৰাথমিকতা প্ৰদান কৰিছে আৰু প্ৰয়োজন সাপেক্ষে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এই সন্দৰ্ভত আলোচনা কৰিব। তৈল প্ৰতিষ্ঠানটোৰ ১০ পৃষ্ঠাত

# দুলীয়াজান বিধানসভা সমষ্টিৰ উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

## প্ৰতি মাহৰ এটা দেওবাৰে চলিব ৰাজ্যৰ থানাসমূহৰ চৌহদ পৰিস্কৰণ কাৰ্য



**দিছপুৰ ঃ** সমষ্টিভিত্তিক পৰ্যালোচনা অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত দুলীয়াজান বিধানসভা সমষ্টিত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ বিভিন্ন সমস্যা তথা সমষ্টিটোত ৰূপায়ণ হৈ থকা বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কাম-কাজ, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতি, লোকনিৰ্মাণ বিভাগৰ জৰিয়তে বিভিন্ন আঁচনিৰ অধীনত পথ নিৰ্মাণ, জলসম্পদ বিভাগৰ আঁচনি ৰূপায়ণ আদিৰ বিস্তৃত খতিয়ান লয়। মুখ্যমন্ত্ৰীয়ে আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত থকা সমস্যাসমূহৰ বুজ লৈ সংশ্লিষ্ট বিষয়াসকলক সমস্যাৰাজি নিৰসনৰ অৰ্থে যাৱতীয় ১০ পৃষ্ঠাত

# দিব্যাংগসকলৰ সহায়ক হোৱাকৈ বিভিন্ন সঁজুলি বিতৰণ মন্ত্ৰী পীযুষ হাজৰিকাৰ

## পূৰ্বতকৈ অধিক পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীসকলক স্কলাৰশ্বিপ প্ৰদানৰ বাবে ব্যৱস্থা কৰিব লাগিব ঃ মন্ত্ৰী হাজৰিকা

**দিছপুৰ ঃ** জনতা ভৱনৰ পুৰণি চি এম ব্লকৰ সভাকক্ষত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী পীযুষ হাজৰিকাই বিশেষভাৱে দিব্যাংগসকলৰ সহায়ক হোৱাকৈ বিভিন্ন সঁজুলি বিতৰণ কৰে আৰু ট্ৰান্সজেণ্ডাৰ কল্যাণ ব'ৰ্ড আৰু ড্ৰাগছ আৰু মাদক দ্ৰব্যৰ ব্যৱহাৰ নিৰ্মূলৰ দিশত কাম কৰা সংস্থাসমূহৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। সমাজৰ দিব্যাংগসকলৰ জীৱন-ধাৰণৰ মান উন্নীত কৰিবলৈ ৰাজ্য চৰকাৰ সংকল্পবদ্ধ বুলি কৈ মন্ত্ৰী হাজৰিকাই শাৰীৰিক অক্ষমতা নেওচি সকলোৰে সৈতে খোজ মিলাই যোৱাত সহায়ক হোৱাৰ উদ্দেশ্যে দিব্যাংগ ব্যক্তিসকলক অত্যাৱশ্যকীয় সহায়ক সঁজুলি যোগান ধৰিবলৈ বিভাগে লোৱা পদক্ষেপৰ বিষয়ে জানিবলৈ দিয়ে। জনতা ভৱনত সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত আয়োজিত অনুষ্ঠানত দিব্যাংগ ব্যক্তিসকলৰ মাজত হুইল চেয়াৰ, শ্ৰৱণ যন্ত্ৰ, স্মাৰ্ট কেন আদি প্ৰদান কৰা হয়। মন্ত্ৰী গৰাকীয়ে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ সমাজত সম অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ সকলোৱে আগন্তুক দিনত নিষ্ঠাৰে কাম কৰি যোৱাৰ কথা দোহাৰে। বিভাগৰ অধীনত প্ৰদান কৰা স্কলাৰশ্বিপ আঁচনিসমূহৰ পৰ্যালোচনা কৰি মন্ত্ৰী হাজৰিকাই কয় যে প্ৰি মেট্ৰিক আৰু পোষ্ট মেট্ৰিকৰ বৃত্তিৰ ক্ষেত্ৰত ১০ পৃষ্ঠাত






# নগাঁৱৰ প্ৰান্তে প্ৰান্তে কণীযুক্ত মাছৰ অবাধ বেহা

## থলুৱা মাছৰ উৎপাদন বৃদ্ধিত হেঙাৰ মৎস্য ব্যৱসায়ীৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** বৰ্তমান মাছৰ প্ৰজনন ঋতু চলি থকাৰ সময়তে নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত অবাধ গতিত কণীযুক্ত মাছৰ নিধনযজ্ঞ চলি থকা দেখিবলৈ পোৱা গৈছে। মীন আইনক ভেঙুচালি কৰি এচাম মাছমৰীয়া আৰু মৎস্য ব্যৱসায়ীয়ে লুপ্ত হ'ব ধৰা থলুৱা মাছৰ বংশবৃদ্ধিৰ এনে ভৰপক সময়ছোৱাত কণীযুক্ত মাছৰ ৰমৰমীয়া বেহা অব্যাহত ৰাখিছে। বিয়াগোম মীন বিভাগৰ চূড়ান্ত গাফিলতি আৰু আওকণীয়া মনোভাবৰ অচিলা লৈ জিলাখনৰ এচাম অসাধু মৎস্য ব্যৱসায়ীসকলে এনে বেহাৰ দ্বাৰা থলুৱা গাভিনী মাছৰ কণী নষ্ট কৰাত হাত উজান দি আহিছে। সম্প্ৰতি জিলাখনৰ প্ৰান্তে প্ৰান্তে থলুৱা প্ৰজাতিৰ কণীযুক্ত মাছ অসাধু ব্যৱসায়ীসকলে মুকলিভাৱেই বিক্ৰী কৰি অহাত সচেতন মহলক উদ্বিগ্ন কৰি তুলিছে। আচলতে, প্ৰায় বিলুপ্তিৰ পথত আগবঢ়া থলুৱা প্ৰজাতিৰ কাৱৈ, গৰৈ, পুঠি, খলিহনা, উঁৰিকনা, শিঙি, মাগুৰ, পাভ, শ'ল, নাৰ আদি মাছবোৰে ব'হাগ মাহৰ পৰা এই সময়ছোৱাত পানী যুৱলীত কণী পাৰি বংশবৃদ্ধি কৰিবলৈ ধৰে। কিন্তু পৰিতাপৰ কথা যে একাংশ মাছমৰীয়াই থলুৱা প্ৰজাতিৰ এই গাভিনী মাছবোৰ নৈ, বিল, খাল, জলাশয় আদিৰ পৰা ধৰি আনি ব্যক্তিগত মুনাফাৰ বাবে মৎস্য ব্যৱসায়ীৰ হাতত তুলি দিছে। উল্লেখ্য যে, প্ৰকৃতিপ্ৰেমী ৰাইজ তথা সংগঠনে কণীযুক্ত মাছৰ চিকাৰ নকৰিবলৈ আহ্বান জনাই আহিছে যদিও মীন বিভাগে এনে দুষ্কাৰ্য প্ৰতিৰোধৰ বাবে বিশেষ কঠোৰ পদক্ষেপ হাতত নোলোৱাত এনেদৰে জিলাখনৰ প্ৰান্তে প্ৰান্তে গাৱে-ভূঞে, চহৰে-নগৰে কণীযুক্ত মাছৰ ৰমৰমীয়া বেহা নিবিঘ্নে চলি আহিছে। যাৰ পৰিণতিত থলুৱা মাছৰ সংখ্যা দিনক দিনে হ্ৰাস পাই আহিছে। সেয়ে এইক্ষেত্ৰত জিলা প্ৰশাসন আৰু মীন বিভাগক তৎকালীন কাৰ্যকৰী ব্যৱস্থা গ্ৰহণেৰে থলুৱা মাছৰ বংশবৃদ্ধিৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ নগএগ সচেতন মহলে দাবী জনাইছে।

# ডিব্ৰুগড়ত জন সাংস্কৃতিক সমাজৰ উদ্যোগত 'বিষ্ণু-জ্যোতিৰ দৃষ্টিত সমাজ আৰু সংস্কৃতি' বিষয়ক আলোচনা-চক্ৰ সম্পন্ন




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** "নগৰীয়া বুৰ্জোৱা মানসিকতাৰে জ্যোতি-বিষ্ণুৰ মণীষাক উপলব্ধি কৰা সম্ভৱ নহয়-' 'জন সাংস্কৃতিক সমাজ, ডিব্ৰুগড়'ৰ উদ্যোগত ডিব্ৰুগড়ৰ পূৰ্ণানন্দ পথস্থিত জ্ঞানদায়িনী মন্দিৰ প্ৰাংগণত ১৫ জুনত অনুষ্ঠিত 'বিষ্ণু-জ্যোতিৰ দৃষ্টিত সমাজ আৰু সংস্কৃতি'-শীৰ্ষক আলোচনা-চক্ৰত মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বড়াই এই মন্তব্য আগবঢ়ায়। জ্যোতি বিষ্ণুৱে স্বৰাজোত্তৰ অসমৰ সামাজিক সাংস্কৃতিক ভেঁটি নিৰ্মাণ কৰি থৈ গৈছে বুলি উল্লেখ কৰি তেখেতে স্বতন্ত্ৰতাবোধ আৰু স্বাভিমানী অসমীয়া জাতীয়তাবোধৰ পুৰোধা হৈও এক ভাৰতীয়ত্বৰ পোষকতা কৰা বিষ্ণু-জ্যোতিৰ অৱদানৰ চৰ্চা যেন বৰ্তমান কেৱল "পৰজনমৰ শুভলগণত', 'নাহৰ ফুলে নশুৱায়' বা 'আমাৰে সখিয়া' আদিৰ দৰে কোমল অনুভূতি প্ৰকাশক গানৰ মাজতে হেৰাই যোৱাৰ উপক্ৰম হৈছে বুলিও আক্ষেপ কৰে। জ্যোতি-বিষ্ণু বিভিন্ন ৰচনাৰ বিশ্লেষণ কৰি তেখেতে লগতে কয় যে পৃথিৱীত যদি শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠা কৰিব লাগে, পৃথিৱীত যদি এখন সৰ্বসমৃদ্ধিশালী সমাজ প্ৰতিষ্ঠা কৰিব লাগে, তেন্তে সেই কাম কৰিব পাৰিব কেৱল সাধাৰণ জনতাইহে। অসমৰ সাহিত্য-সংস্কৃতি আৰু সমাজ জীৱনৰ এই দুগৰাকী পুৰোধা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ অৱদানক স্মৰণ কৰাৰ উদ্দেশ্যে আগন্তুক জ্যোতি জয়ন্তী আৰু বিষ্ণু ৰাভা দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক সংগঠন 'জন সাংস্কৃতিক সমাজ, ডিব্ৰুগড়'-এ ইয়াৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ অংশ হিচাপে এই আলোচনা-চক্ৰৰ আয়োজন কৰিছিল। আলোচনা-চক্ৰখনি সঞ্চালনা কৰে বিশিষ্ট নাট্যকাৰ-পৰিচালক মুনীন্দ্ৰ নাথ শৰ্মাই। মুখ্য আলোচকৰ বক্তৃতাৰ আঁত ধৰি উপস্থিত শ্ৰোতা দৰ্শকৰ মাজৰপৰা আৰাধনা দত্ত, কোকিল বনগঞাই নিজৰ মতামত আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ দিয়ে উদ্যোক্তা সংগঠনটিৰ সভাপতি চেহিৰ আহমদে। আলোচনা-চক্ৰখনিৰ প্ৰস্তাৱনা আগবঢ়ায় সম্পাদক লক্ষ্যধৰ কলিতাই। অনুষ্ঠানত জনসাংস্কৃতিক সমাজৰ শিল্পীসকলে সংগঠনটিৰ শীৰ্ষ গীতৰ লগতে একোটিকৈ জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীতো পৰিৱেশন কৰে। অনুষ্ঠানৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় ড° অদিতি বৰুৱাই।

# তামুলপুৰত চাহ শ্ৰমিকৰ আৰ্থিক সাহায্য সন্দৰ্ভত সভা

## প্ৰতিগৰাকী শ্ৰমিকে লাভ কৰিব ৫ হাজাৰকৈ ধন

**তামুলপুৰ ঃ** 'মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত' আঁচনি সন্দৰ্ভত তামুলপুৰ জিলাৰ জিলা আয়ুক্তৰ কাৰ্যালয় কক্ষত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত এখনি সভা অনুষ্ঠিত হয়। উক্ত সভাত তামুলপুৰ জিলাৰ দুখন চাহ বাগিচা মেনকা আৰু নাগ্ৰীজুলি চাহ বাগিচাৰ শ্ৰমিকসকলৰ মাজত অসম চৰকাৰৰ ধ্বজাবাহী আঁচনি 'মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত'ৰ সঠিক ৰূপায়ণ সন্দৰ্ভত বিতংকৈ আলোচনা কৰা হয়। আলোচনামৰ্মে প্ৰথম পৰ্যায়ত বাগিচা দুখনৰ শ্ৰমিকসকলৰ মাজত মূলতঃ তিনিটা বিষয়ৰ ওপৰত ভেৰিফিকেছন কৰা হ'ব। সেয়া হৈছে- শ্ৰমিকগৰাকী অসমৰ স্থায়ী বাসিন্দা হয় নে নহয়, তেওঁ সংশ্লিষ্ট বাগিচাখনৰ শ্ৰমিক হয় নে নহয় আৰু শ্ৰমিকগৰাকীৰ বেংক একাউণ্টত আধাৰ লিংক আছে নে নাই। এই কাম অতি কম সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। সঠিক পৰ্যৱেক্ষণৰ পাছত প্ৰতিগৰাকী শ্ৰমিকক একোখন ফৰ্ম দিয়া হ'ব, যিখন ফৰ্ম পূৰণ কৰাৰ পাছত অনলাইনত আপলোড কৰা হ'ব। প্ৰকৃত হিতাধিকাৰীসকলে ৫ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰিব। উল্লেখ্য যে তামুলপুৰ জিলাৰ মেনকা আৰু




নাগ্ৰীজুলি চাহ বাগিচাত ২,১০০তকৈও অধিক শ্ৰমিকে কাম কৰি আছে। সভাখনত অতিৰিক্ত আয়ুক্ত ড° দীপাংকৰ নাথ, সহকাৰী আয়ুক্ত কবিতা ফাংছ', কোকৰাঝাৰৰ শ্ৰম পৰিদৰ্শক নৱজীৱন বসুমতাৰী, মেনকা আৰু নাগ্ৰীজুলি চাহ বাগিচাৰ পৰিচালকসহ বিষয়ববীয়াসকল উপস্থিত থাকে বুলি তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে।

# শিৱসাগৰ অসামৰিক চিকিৎসালয়ত 'দৃশ্যপট শিৱসাগৰ' 'বিশ্ব ৰক্তদান দিৱস' উদ্‌যাপন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰৰ অন্যতম সাংস্কৃতিক আৰু সামাজিক সংস্থা 'দৃশ্যপট শিৱসাগৰ'ৰ উদ্যোগত বিগত বৰ্ষৰ দৰে এইবাৰো 'বিশ্ব ৰক্তদান দিৱস' জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভৰাঁলত ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে, 'দৃশ্যপট শিৱসাগৰ'ৰ সদস্যসকলৰ লগতে শিৱসাগৰ চহৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা ভালেসংখ্যক ব্যক্তিয়ে ৰক্তদানৰ দৰে এটি মহান কাৰ্যত জড়িত হয়। শিৱসাগৰৰ বহুতো অনুষ্ঠানৰ মাজত 'দৃশ্যপট শিৱসাগৰ'ৰ এনে পদক্ষেপ সঁচাই আদৰণীয়। ইয়াৰ উপৰিও 'দৃশ্যপট শিৱসাগৰ' গছ-পুলি ৰোপণ, অনাতাঁৰ নাট পৰিৱেশন, বিপদৰ সময়ত আৰ্তজনক সহায় আৰু চিকিৎসাধীন অৱস্থাত থকা ব্যক্তিক চিকিৎলয়ত গৈ ৰক্তদান কৰা লগতে সাহিত্য আৰু সাংস্কৃতিকভাৱেও জড়িত হৈ আছে। 'দৃশ্যপট শিৱসাগৰ' বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানত সম্পাদক অভিনৱ দেৱ কাশ্যপে এই ৰক্তদান কাৰ্যসূচীৰ পৰা প্ৰায় ২২ ইউনিত ৰক্ত সংগ্ৰহ কৰিবলৈ সক্ষম হোৱাৰ বিষয়ে জানিবলৈ দিয়াৰ লগতে সম্পাদকগৰাকীয়ে কয় যে, এই ৰক্তদান কাৰ্যসূচীৰ জৰিয়তে ৰক্তদানৰ উপকাৰিতাসমূহ ৰাইজৰ মাজত প্ৰচাৰ কৰা আৰু ৰক্ত ভৰাঁল টনকিয়াল কৰিবলৈ প্ৰয়াস কৰা।

# নগাঁৱৰ ডাছোৱানী ক্লাছৰ নীট পৰীক্ষাত সাফল্য



**বিশেষ সংবাদদাতা, নগাঁও ঃ** প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত অসমৰ লগতে নগাঁৱৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান ডাছোৱানীয়ে প্ৰতিবৰ্ষৰ দৰে এইবাৰো সদ্যঘোষিত মেডিকেল প্ৰৱেশ পৰীক্ষা (NEET) অত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে শিক্ষানুষ্ঠানখনৰ পৰা এইবাৰ নীট পৰীক্ষাত মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০ জনেই মেডিকেল প্ৰৱেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। তাৰে ভিতৰত শিক্ষানুষ্ঠানখনৰ পৰা ক্ৰমে-ৰিয়ান অল ইছলাম (৫২৮-জেনেৰেল), নাছিৰ হুছেইন (৫১৯-সাধাৰণ), পাৰ্থ প্ৰতীম বৰা (৫০৮-অ,বি,চি-এন,চি,এল), নাবৰুণ বৰদলৈ (৫০১-সাধাৰণ), কেটৰীনা কুহীছ খান (৪৮৭-সাধাৰণ), কুছিকা আগৰৱালা (৪৮৭ সাধাৰণ), কংকনা শইকীয়া (৪৭৭-সাধাৰণ), নাছিফ আহমেদ (৪৬৪-সাধাৰণ), অংকুৰ কলিতা (৪৬০ -অবিচি-এন,চি -এল), কল্যাণ জ্যোতি দত্ত(৪৩৭-অবিচি-এনচিএল), অৰ্চন হাজৰিকা (৪৩১-সাধাৰণ), ৰুমী দাস (৪২৯-এচ, চি), খ্যাতি ৰেখা পাটৰ (৩৭৭- এচ, টি), অনামিকা বড়া (৩৪৫- এচ, টি) আৰু ছন যুক্তি ৰংপি (৩২৭- এচ-টি) নামৰ প্ৰথম ১৫ গৰাকীয়ে উল্লেখিত নম্বৰ সমূহ লাভ কৰিবলৈ সক্ষম হয়। ইপিনে শিক্ষানুষ্ঠানখনত অৱতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ২৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চিকিৎসালয়ত অধ্যয়ন কৰিবলৈ সুবিধাকন লাভ কৰিব। তদুপৰি শিক্ষানুষ্ঠান ৰাজস্থান কোটাৰ পৰা অহা খনত ৮ গৰাকী অভিজ্ঞতা সম্পন্ন শিক্ষকৰ তৎপৰতাত নিতৌ পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈ সপ্তাহিক মূল্যায়নৰ পাঠদান ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই যোৱাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব বুলিও কৰ্তৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়ে। উল্লেখ্য যে শিক্ষানুষ্ঠানখনৰ পৰিচালক ড° প্ৰাঞ্জল কুমাৰ বৰাই জানিবলৈ দিয়া মতে- চলিত বৰ্ষৰ অহা ৩০ জুনৰ পৰা নতুন পাঠ্যক্ৰম আৰম্ভ হ'ব। শিক্ষানুষ্ঠানখনৰ এই সফলতাই সমগ্ৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ মাজত এক আনন্দই বিৰাজ কৰিছে।

# বিষ্ণুৰাভাৰ দৃষ্টিৰে সাম্প্ৰতিক সমাজত যুৱক-যুৱতীৰ ভূমিকা

■ বিতোপন গগৈ
শিমলুগুৰি, নাৰায়ণপুৰ

"আগুৱাই ব'ল আগুৱাই ব'ল
আগুৱাই ব'ল সমনীয়া।
হালোৱাৰ দল হজুৱাৰ দল
বনুৱাৰ দল অ' ৰণুৱা।।"

অতীতৰ বোকোচাত উঠি যায় বৰ্তমান আৰু ভৱিষ্যত গঢ়ি উঠে বৰ্তমানক কেন্দ্ৰ কৰি। একো একোটা নিৰ্দিষ্ট সময়ত একো একোজন মহাপুৰুষৰ জন্ম হয়। তেখেতসকলৰ মহান গুণাৱলীক আদৰ্শৰূপে লৈ পাছৰ চামেও প্ৰগতিৰ পথত অতিক্ৰম কৰিব পৰাটোও এক মহৎ গুণ।

দেশৰ ধৰণীস্বৰূপ উঠি অহা যুৱক-যুৱতীসকল সমাজৰ এক বলিষ্ঠ অংশ। যাৰ যৌৱনৰ ৰঙীন মাদকতাৰে সৃষ্টিৰ ৰহস্যত ৰহন ঢালি শক্তিমন্ত্ৰ হৈ দিয়া নেতৃত্বই পৃথিৱী কঁপাই তুলিব পাৰে। সেয়ে কোৱা হয়— যুৱশক্তি এক মহান শক্তি। কিন্তু তেওঁলোকৰ আদৰ্শ হ'ব লাগিব নিখুঁট। দৃষ্টিভংগীবোৰ হ'ব লাগিব ফট্‌ফটীয়া জোনাকৰ দৰে। এনে এক সন্ধিক্ষণত কোনো এজন মহৎ আদৰ্শৱান পুৰুষৰ চিন্তা-চৰ্চাৰ সহায় নিতান্তই আৱশ্যক।

গুণেশ্বৰ সোণোৱালৰ গ্ৰন্থ 'শঙ্কৰদেৱ, জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ'ত আছে— শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ সমগ্ৰ অসম তথা ভাৰতৰ প্ৰান্তে প্ৰান্তে পদব্ৰজে ঘূৰি সাংস্কৃতিক সমন্বয় তথা সম্প্ৰীতিৰ বিশাল ব্ৰহ্মপুত্ৰৰ চিৰপ্ৰৱাহিত গতিত নিজকে বিলাই দি মৰ্ত্যৰ মানুহৰ প্ৰেম আৰু মানৱীয়তাৰ সৰগ ৰচা লোক বিষ্ণুপ্ৰসাদ ৰাভাৰ বাহিৰে দ্বিতীয় ওজন অসমভূমিত এতিয়াও জনম লভা নাই...।

সঁচাকৈ, বিষ্ণুপ্ৰসাদ ৰাভাই পিতৃসূত্ৰে পোৱা বিশাল সম্পত্তিৰ জীৱন পৰিত্যাগ কৰি নিপীড়িত মানৱৰ মুকুতিৰ বাবে— "হালোৱাৰ লগত হালোৱা, হজুৱাৰ লগত হজুৱা, ৰণুৱাৰ লগত ৰণুৱা, ভকতৰ লগত ভকত, বায়নৰ লগত বায়ন, গায়নৰ লগত গায়ন, ব্যাসৰ ওজাৰ লগত ব্যাসকীৰ্ত্তনীয়া, ঘোষা কীৰ্ত্তনীয়াৰ লগত ঘোষা কীৰ্ত্তনীয়া, নটৰ লগত নটক, মঞ্চত অভিনেত; আনফালে গভীৰ গৱেষক, নৃতাত্বিক, দাৰ্শনিক, বিচক্ষণ ৰাজনীতিজ্ঞ, বুৰঞ্জীবিদ, ভূ-তাত্বিক, কবি, চিত্ৰকৰ, নাট্যকাৰ, গীতিকাৰ, ঔপন্যাসিক, গল্পকাৰ, প্ৰৱন্ধকাৰ আদিত নিজকে নিয়োজিত কৰিছিল।" ভাবিলে ভক্তিত মুৰ দোঁ খাই যায় —একেজন মানুহ ইমানবোৰ গুণৰ অধিকাৰী।

গতিকে এনে এজন মহান মানৱৰ আদৰ্শ তথা দৃষ্টিভংগীৰে যুৱক-যুৱতীসকলে সামাজিক মাধ্যমৰ ব্যাপক প্ৰচাৰৰ সময়ত প্ৰগতিশীল চিন্তাত ব্যস্ত হ'ব পাৰিব। এইখিনিতে এটি কথা প্ৰণিধানযোগ্য যে, পাশ্চাত্যৰ প্ৰভাৱত আজিৰ যুৱক-যুৱতীসকলে উচ্ছৃংখল অৱস্থাত পৰিণত হোৱা পৰিলক্ষিত হৈছে। ই অতি পৰিতাপৰ বিষয়। শঙ্কৰদেৱৰ গুণানুকীৰ্ত্তন কৰিবলৈ যোৱাৰ বিপৰীতে ভিন্ন ৰোমাণ্টিক আস্বাদত বুৰ গৈহে জীৱনটো উপভোগ কৰিব বিচাৰে। ইয়াক লৈয়ে যেন তেওঁলোক ব্যস্ত, উৰুলীকৃত। যাৰ বাবে আমাৰ ভৱিষ্যত অসমীয়াৰ ঐতিহাসিক কৃষ্টি-সংস্কৃতিৰ বৰভেঁটি থৰক-বৰককৈ কঁপি উঠিছে। কাৰণ এই কথা ঠিক যে, ঘনচিৰিকাই ৰাজহংসৰ খোজ ল'বলৈ যোৱা মানে পাছৰ অৱস্থাটো বৰ কৰুণ।

যি কি নহওক, ৰাভাদেৱৰ বিশাল দৃষ্টিভংগীৰে সাম্প্ৰতিক বিশ্বৰ যুদ্ধ জৰ্জৰ পৰিৱেশত মানৱীয়তা আৰু কলাসুলভ দৃষ্টিভংগীৰে যুৱক-যুৱতীসকলে বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত।

ইং ১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢাকা নগৰত জন্ম লাভ কৰা অমৰ ব্যক্তি বিষ্ণুৰাভাক কমৰেড্, কলাগুৰু যিয়েই নুবুলো কিয়— কৃষক, বনুৱা, হালোৱা-হজুৱাৰ ওপৰত বিশেষ দৃষ্টি দিছিল। যিসকলে বহু নিৰ্যাতন ভূগিছিল এসময়ত। যাৰ কম্পিত অনুভূতিত বিষ্ণুৰাভাই জে'লত থাকোতেও লিখিছিল—

"তেজৰ বোলেৰে লিখি যাম ইতিহাস।
মচি যাম দীন সমাজৰ হীন পৰিহাস।।
কত ছহিদৰ দুঃখৰ জীৱনী লিখা
কত ব্যথিতৰ বেদনাৰ ছবি আঁকা
পৃথিৱীৰ চিৰ মুকুতিৰ পথ ৰেখা
ৰচি যাম বহু শোষিতৰ হা-হুতাশ...।।"

ৰাইজৰ মৰম-চেনেহৰ অসীম অপাৰ বিশাল সাগৰত সাঁতুৰি-নাদুৰি ফুৰা ৰাভাদেৱে নিজৰ জীৱনৰ বিপদকো মূৰপাতি হাতত কলম, তুলিকা, ষ্টেনগান লৈছিল। ছদ্মবেশেৰে ভ্ৰমণ কৰিছিল। এই জীৱন... কি ভয়ংকৰ আছিল....।

তথাপি—

"মোৰ কবিতাৰ
ছন্দ লাগি
স্পন্দন তোৰ জাগেনে
কথা মালিকাৰ
গন্ধ লাগি
সোণৰ সপোন ভাগেনে...।"

আকৌ "হেৰৌ বিপ্লৱী বিদ্ৰোহী বীৰ/তোল তোৰ অৱনত শীৰ" —বুলি কোৱা বিষ্ণুৰাভাই প্ৰিয়বালা, কনকলতা, মোহিনী আদি সংগীক সন্তুষ্ট কৰি ৰাখিছিল। পিতৃ গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃ গেঠিৱালা ৰাভাৰ মৃত্যুৰ পিছত ১৯২৬ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হয়। 'কুইন এম্‌প্ৰেছ' সোণৰ পদক লাভ কৰা বিষ্ণু ৰাভাই কলিকতাৰ চেণ্টপ'ল কলেজৰ পৰা 'আই-এছ-চি'ত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। পদাৰ্থ বিজ্ঞানত অৰ্নাচ লৈছিল যদিও কেবাখনো কলেজ যেনে— ৰিপন কলেজ, ভিক্টোৰিয়া আদি কলেজৰ পৰা ব্ৰিটিছৰ ৰোষত পৰি নিৰ্যাতন ভূগি শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে।

১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ত নৃত্য পৰিৱেশন এক উল্লেখযোগ্য বিষয়। ১৯৪৬ চনত 'চিৰাজ'ত অভিনয়, ১৯৫১ চনত 'ভাৰতীয় গণনাট্য সংঘ'ৰ অসম শাখাৰ সভাপতি, ১৯৫৫ চনত ভাৰতৰ সাম্যবাদী দলত যোগদান, ১৯৬২ চনত চীন-ভাৰতৰ সংঘৰ্ষৰ সময়ত কংগ্ৰেছ চৰকাৰৰ দ্বাৰা গ্ৰেপ্তাৰ, ১৯৬৭ চনত তেজপুৰ বিধানসভা সমষ্টিৰ পৰা বিধায়ক হোৱা আদি গুৰুত্বপূৰ্ণ অধ্যায়।

কোনোৱে কয়—

"বিষ্ণুৰাভা এতিয়া অসমীয়া মানুহৰ বাবে এটা প্ৰতীকত পৰিণত হৈছে। কিন্তু সকলোৰে বাবে তেওঁ একেটা প্ৰতীক নহয়। কাৰোবাৰ বাবে তেওঁ সৈনিক-শিল্পী, কাৰোবাৰ বাবে জাতীয় সমন্বয়ৰ প্ৰতীক, কাৰোবাৰ বাবে আকৌ কলাগুৰু।"

১৯৬৯ চনৰ ২০ জুনত ইহলীলা সম্বৰণ কৰা বিষ্ণুৰাভাৰ জীৱন প্ৰতিভা, ধৈৰ্য্য, সাহস, সহিষ্ণুতা, কৌশল-কলা আমাৰ আদৰ্শস্বৰূপ হোৱা উচিত।

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী
পূজাৰী অ'
সুন্দৰ পূজাৰী...।"

কথা মালিকাৰ
গন্ধ লাগি
সোণৰ সপোন ভাগেনে...।"

আকৌ কৈছে— "হেৰৌ বিপ্লৱী বিদ্ৰোহী বীৰ/তোল তোৰ অৱনত শীৰ" —বুলি কোৱা বিষ্ণুৰাভাই প্ৰিয়বালা, কনকলতা, মোহিনী আদি সংগীক সন্তুষ্ট কৰি ৰাখিছিল। পিতৃ গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃ গেঠিৱালা ৰাভাৰ মৃত্যুৰ পিছত ১৯২৬ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হয়। 'কুইন এম্‌প্ৰেছ' সোণৰ পদক লাভ কৰা বিষ্ণু ৰাভাই কলিকতাৰ চেণ্টপ'ল কলেজৰ পৰা 'আই-এছ-চি'ত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। পদাৰ্থ বিজ্ঞানত অৰ্নাচ লৈছিল যদিও কেবাখনো কলেজ যেনে— ৰিপন কলেজ, ভিক্টোৰিয়া আদি কলেজৰ পৰা ব্ৰিটিছৰ ৰোষত পৰি নিৰ্যাতন ভূগি শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে।

১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ত নৃত্য পৰিৱেশন এক উল্লেখযোগ্য বিষয়। ১৯৪৬ চনত 'চিৰাজ'ত অভিনয়, ১৯৫১ চনত 'ভাৰতীয় গণনাট্য সংঘ'ৰ অসম শাখাৰ সভাপতি, ১৯৫৫ চনত ভাৰতৰ সাম্যবাদী দলত যোগদান, ১৯৬২ চনত চীন-ভাৰতৰ সংঘৰ্ষৰ সময়ত কংগ্ৰেছ চৰকাৰৰ দ্বাৰা গ্ৰেপ্তাৰ, ১৯৬৭ চনত তেজপুৰ বিধানসভা সমষ্টিৰ পৰা বিধায়ক হোৱা আদি গুৰুত্বপূৰ্ণ অধ্যায়।

কোনোৱে কয়—

"বিষ্ণুৰাভা এতিয়া অসমীয়া মানুহৰ বাবে এটা প্ৰতীকত পৰিণত হৈছে। কিন্তু সকলোৰে বাবে তেওঁ একেটা প্ৰতীক নহয়। কাৰোবাৰ বাবে তেওঁ সৈনিক-শিল্পী, কাৰোবাৰ বাবে জাতীয় সমন্বয়ৰ প্ৰতীক, কাৰোবাৰ বাবে আকৌ কলাগুৰু।"

১৯৬৯ চনৰ ২০ জুনত ইহলীলা সম্বৰণ কৰা বিষ্ণুৰাভা জীৱন প্ৰতিভা, ধৈৰ্য্য, সাহস, সহিষ্ণুতা, কৌশল-কলা আমাৰ আদৰ্শস্বৰূপ হোৱা উচিত।

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী
পূজাৰী অ'
সুন্দৰ পূজাৰী...।"

**ম'বাইল ঃ** ৯৩৬৫১৬৮৮০৬

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দ্বাদশ প্ৰতিষ্ঠা দিৱস পালন

## নতুন উপাচাৰ্যৰ দায়িত্ব গ্ৰহণ, মুখপত্ৰ দাপোণ উন্মোচন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দ্বাদশ প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুৱা ১০ বজাত পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাবাপে। ইয়াৰ পিছতে ১১ বজাৰ পৰা বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখনি সভাৰ আয়োজন কৰা হয়। বন্তি প্ৰজ্বলন, বিশ্ববিদ্যালয়ৰ সংগীতেৰে আৰম্ভ হোৱা আনুষ্ঠানিক সভাত আদৰণি ভাষণ আগবঢ়াই বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকাই। ভাষণত তেওঁ বিশ্ববিদ্যালয়খনৰ বিগত বৰ্ষৰ এক চমু খতিয়ান দাঙি ধৰে। অনুষ্ঠানত অংশলৈ বিশ্ববিদ্যালয়ৰ আচাৰ্য ভৱেন্দ্ৰনাথ ডেকাই বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ পটভূমিৰ উল্লেখ কৰি, শংকৰদেৱক কিদৰে বিজ্ঞানসন্মত দৃষ্টিৰে জনমানসত প্ৰতিষ্ঠা কৰাব পাৰি সেই সম্পৰ্কে মন্তব্য আগবঢ়ায়। ইয়াৰ পিছতে অনুষ্ঠানত উপস্থিত থাকি ভাষণ আগবঢ়ায় অনুষ্ঠানৰ বিশিষ্ট অতিথি ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা (উচ্চ শিক্ষা) অধ্যাপক দেৱব্ৰত দাসে। তেওঁ কয় - অসমৰ জাতীয় জীৱনৰ ভেঁটি গঢ়োতা শংকৰদেৱ গুৰুজনাৰ নীতি আদৰ্শৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৌদ্ধিক ক্ষেত্ৰৰ বিশেষ অৱদান মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়। এঘাৰ বছৰীয়া এই কম সময়ৰ যাত্ৰাত বিশ্ববিদ্যালয়খনে এক পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। শংকৰদেৱৰ অমূল্য সৃষ্টিৰাজিক গৱেষণাধৰ্মীতাৰে আগুৱাই নিবলৈ গৱেষকসকলে প্ৰয়াস কৰক।" ভাৰতীয় উচ্চ শিক্ষা ব্যৱস্থাৰ সম্পৰ্কে ভাষণ আগবঢ়োৱাৰ প্ৰসংগত তেওঁ আৰু কয় যে পাঠ্যক্ৰমসমূহ বৃত্তিমুখী হ'ব লাগে। বৃত্তিমুখী মানে কেৱল চাকৰিয়েই নহয়। বৃত্তিমুখিতাৰ সৈতে জড়িত হৈ থাকিবলগীয়া গুৰুত্বপূৰ্ণ বিষয়টো হ'ল কৌশল। এই বৃত্তিমুখী পাঠ্যক্ৰম আৰু কৌশলৰ সংমিশ্ৰণতহে শিক্ষাৰ্থীয়ে নিজকে আগুৱাই নিবলৈ সক্ষম হ'ব। ইয়াৰ পিছতে, বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ 'দাপোণ'ৰ অষ্টম সংখ্যাটি উন্মোচন কৰে উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে। উল্লেখযোগ্য, বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে যোগদান কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰাধ্যাপক অশোক কুমাৰ বৰাই নিজা মন্তব্য আগবঢ়োৱাৰ লগতে নগাঁও জিলাৰ জিলা উন্নয়ন বিষয়া দেৱযানী চৌধুৰীও উপস্থিত থাকি মন্তব্য আগবঢ়ায়। অনুষ্ঠানত অংশলৈ বিশ্ববিদ্যালয়খনৰ সমন্বয়ক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ পৰা আৰম্ভ কৰি আইন প্ৰস্তুত কৰাৰে পৰা দ্বাদশ বৰ্ষত ভৰি দিয়া এই দীৰ্ঘসময়ৰ স্মৃতি ৰোমন্থন কৰি ৰাজ্য চৰকাৰৰ বলিষ্ঠ প্ৰদক্ষেপক কৃতজ্ঞতা জনায়। বিশ্ববিদ্যালয়খনৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° জয়ন্ত মাধৱ তামূলীয়ে পৰিচালনা কৰা অনুষ্ঠানত অনুষ্ঠানটো সফলতাৰে সামৰণি পৰাত সকলোকে ধন্যবাদ জ্ঞাপন কৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সমিতিৰ সভাপতি ড° হৰেকৃষ্ণ বৰা আৰু আহ্বায়িকা ড° ৰিমঝিম বৰুৱাই। অনুষ্ঠানত নগাঁও মহাবিদ্যালয়ৰ (স্বঃ) অধ্যক্ষ ড° পুলিন বৰা, অসমীয়া বিভাগৰ অৱসৰী অধ্যাপক ড° দীপক বৰা, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সঙ্গীতা বৰা, হিন্দী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° কৰবী দেৱী, এ ডি পি মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° সোণাৰাম নাথ, ৰামানুজন কণিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰা, শ্ৰীমন্ত শংকৰদেৱ শিক্ষা আৰু আৰ্থ সামাজিক বিকাশ ন্যাসৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ বৰা, থ্ৰিঃ এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ অধ্যক্ষ হৰেন্দ্ৰ বৰাৰ লগতে নগাঁও চহৰৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি, বিশ্ববিদ্যালয়খনৰ বিষয়া-কৰ্মচাৰী, অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে।

### উদুলি-মুদুলি অসম সাহিত্য সভাৰ মজিয়া, অসম সাহিত্য সভাৰ নতুন পদক্ষেপ গ্ৰহণ

# অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ দ্বাৰা 'সুৰীয়া আবেলি' অনুষ্ঠান




**ৰমেন ভৰালী, বংশৰ ঃ** উদুলি-মুদুলি অসম সাহিত্য সভাৰ লক্ষ্মীৰাম বৰুৱা সদন। অসম সাহিত্য সভাৰ নতুন পদক্ষেপ গ্ৰহণ। অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ দ্বাৰা সুৰীয়া আবেলিৰ অনুষ্ঠান। অসমৰ লোক-কৃষ্টিক প্ৰধান্য। দিহানাম, বৰগীত, জিকিৰ, জাৰিৰ, বিয়ানামৰ শিল্পীৰ অংশগ্ৰহণ। অসমৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলৰ সাংস্কৃতিক অনুষ্ঠান। যোৱা ১৪ জুনত অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ উদ্যোগত অসম সাহিত্য সভাৰ গুৱাহাটীস্থিত সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত 'সুৰীয়া আবেলি' শীৰ্ষক এটি অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি 'সুৰীয়া আবেলি' শীৰ্ষক অনুষ্ঠানটো শুভ উদ্বোধন কৰে। শুভ উদ্বোধনী ভাষণত তেখেতে কয় যে এনেধৰণৰ ইতিবাচক অনুষ্ঠানক চৰকাৰৰ তৰফৰ পৰা সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি কয়।' অনুষ্ঠানত বিশিষ্ট অতিথিৰ ভাষণত 'আমাৰ অসম' কাকতৰ কাৰ্যবাহী সম্পাদক, বিশিষ্ট গীতিকাৰ গৌতম শৰ্মাই ভাষণত কয়-আমাৰ সংস্কৃতিয়ে আমাক একেলগে থকাৰ কথা কৈছে। অসমীয়া সংস্কৃতি এপাহ পদুম ফুলৰ দৰে। এখিলা পাহি এৰুৱালে ফুলপাহ নিচিহ্ন হৈ যাব। অসমীয়া জাতি এটা সন্মিলনৰ প্ৰচেষ্টাত জন্ম হৈছে। নতুন প্ৰজন্মই জন্মদাত্ৰী মাতৃ, মাতৃভাষা আৰু মাতৃভূমিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা উচিত। মাতৃ, মাতৃভাষা আৰু মাতৃভূমিক শ্ৰদ্ধা, সন্মান কৰা উচিত। এই তিনিজনী মাতৃক আমি ভাল পাব লাগে, শুশ্ৰূষা কৰিব লাগে। আমাৰ সকলো গীত কেৱল সমন্বয়ৰ কথা কয়, জীৱনৰ দৰ্শন সম্পৰ্কে কয়। আমাৰ গীতবোৰ বকুল ফুলৰ মালাৰ দৰে বন্ধা আছে। অসমীয়া সাহিত্য, সংস্কৃতিৰ প্ৰতি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ অৱদান অনস্বীকাৰ্য। আমি মহাপুৰুষ দুজনা, চাওলুং চুকাফা, জ্যোতি-বিষ্ণুক চিনি পাব লাগিব। আমি অসম আৰু অসমীয়াত্বকলৈ গৌৰৱ কৰিব লাগে।' তেওঁ লগতে বৰগীত, জিকিৰৰ পৰা আৰম্ভ কৰি বিয়াগীত, আধুনিক গীতৰ একোটা কলি পৰিৱেশন কৰি এই গীত সমূহৰ অন্তৰালত থকা বিভিন্ন দিশ সম্পৰ্কেও আলোকপাত কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই আদৰণি ভাষণত তেখেতে কয়-অসম সাহিত্য সভাৰ প্ৰতিনিধিসকলক লৈ এখন অভিৱৰ্তন অনুষ্ঠিত হোৱাৰ কথা উল্লেখ কৰি তেখেতে কয় যে বিশ্ব ৰক্তদাতা দিৱস সেই সম্পৰ্কে সজাগতা সৃষ্টি কৰাও আমাৰ এটা এই অনুষ্ঠান আয়োজন কৰাৰ উদ্দেশ্য। তিনিমাহৰ মূৰে মূৰে এজন ব্যক্তিয়ে ৰক্ত দান কৰিব পাৰে। জাতীয় চেতনাৰ লগতে আমাৰ সামাজিক দায়বদ্ধতা আছে। অসমক ভালপোৱা প্ৰতিগৰাকী ভাৰতীয়ই অসমীয়া। মই এজন ভাল অসমীয়া সেই বাৰ্তাকে আৰু সম্প্ৰীতিৰ বাৰ্তা দিয়াৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰাই চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে উপস্থিত বিশিষ্ট ব্যক্তিসকলে বন্তিপ্ৰজ্বলন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সমন্বয় সংস্কৃতিৰ দলে 'চিৰ চেনেহী মোৰ ভাষা জননী' পৰিৱেশন কৰে। বীতু গগৈয়ে আঁত ধৰা অনুষ্ঠানত বৰগীত পৰিৱেশন কৰে ছুফিয়ানা ৰহমানে। তাৰপাছত দিহা নাম- মঞ্জু বৰাৰ দলে, জিকিৰ আৰু জাৰী নৃত্য- চিৰ সেউজ ওজা মস্তাফা আলীৰ দলে পৰিৱেশন কৰে। অনুষ্ঠানত চিনাকি পৰ্ব (অনুষ্ঠানৰ সহযোগ)- প্ৰয়াত চৈয়দ ইদ্ৰিচ আলিৰ পৰিয়ালবৰ্গক পৰিচয় কৰি দিয়া হয়। অনুষ্ঠানত থিয় নাম- সুদৰ্শন লোক-সংস্কৃতি মহিলা দলে, জিকিৰ গীত-মুস্তাকীন আহমেদৰ দলে, সত্ৰীয়া নৃত্য-দৰ্শনা হাজৰিকাই, জাৰী নৃত্য- জাজৰি জিকিৰ জাৰী চৰ্চা মঞ্চই, জিকিৰ গীত-হাফেজা বেগম চৌধুৰী (এ. গ্ৰেড জিকিৰৰ অনাতাঁৰ শিল্পী), চৈয়দা নাবিহা ৰহমান (চি. চি. আৰ. টি জিকিৰ শিল্পী) ৰিজুৱান আহমেদ (দোতাৰা বাদক তথা শিশু শিল্পী) সত্ৰীয়া নৃত্য- টুৰন্যা দাস। সংগীতালেখ্য- মিলিজুলি সাংস্কৃতিক গোষ্ঠী। সমজুৱা জিকিৰ- শিৱসাগৰ, গোলাঘাট, দৰং আৰু গুৱাহাটীৰ অনাতাঁৰ শিল্পীসকলে, বিহু নৃত্য পৰিৱেশন-মিলিজুলি সাংস্কৃতিক গোষ্ঠীয়ে পৰিৱেশন কৰে। অনুষ্ঠানত প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মৃন্ময় নাথ, সহযোগী আহ্বায়ক চৈয়দ মাঝফ হুছেইন আদি উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ বৰবৰুৱাত আটছাৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ বৰবৰুৱা ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ বৰবৰুৱা শাখাৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটিত চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীক একোখনকৈ সম্বৰ্ধনা পত্ৰ, লেখন সামগ্ৰীৰ একোটা টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত অনুষ্ঠানটিত পতাকা উত্তোলন কৰে আটছা বৰবৰুৱা শাখাৰ সভাপতি চালুক উৰাঙে, শ্বহীদ তৰ্পণ কৰে শাখাৰ সম্পাদক বিশ্বেশ্বৰ গোৱলাই আৰু সহযোগ কৰে ক্ৰীড়া সম্পাদক চনু উৰাং, বৃত্ত সম্পাদক প্ৰবীন হৰ, শাখাৰ উপদেষ্টা বুধন কৰ্মকাৰে। কেন্দ্ৰীয় সমিতিৰ সদস্য মন্টু উৰাঙে উদ্দেশ্যে বাখ্যা কৰাৰ পাছতে আমন্ত্ৰিত অতিথিসকলে শিক্ষাৰ্থীসকলৰ জীৱন উপকৃত হোৱাকৈ সাৰুৱা ভাষণ প্ৰদান কৰে। দেওবাৰে অনুষ্ঠিত অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ অধ্যাপক প্ৰাঞ্জল বুঢ়াগোহাঁই, আটছাৰ সাধাৰণ সম্পাদক জগদীশ বৰাইক, আটছাৰ সাংগঠনিক সম্পাদক বসন্ত কুৰ্মী, আটছা ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক লক্ষীন্দৰ কুৰ্মী, বৰবৰুৱা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বাবলি সোণোৱাল, লেপেটকটা চাহ বাগিচাৰ প্ৰধান পৰিচালক ৰজত দাস, ভাৰতীয় চাহ মজদূৰ সংঘৰ অশোক ওৰাং, চাহ জনজাতি ডিব্ৰুগড় মহিলা সমিতিৰ সম্পাদিকা সুমিত্ৰা ওৰাং, শিক্ষয়িত্ৰী সুশীলা ৰাজবংশী সহ আটছাৰ কেন্দ্ৰীয় জিলা আৰু বৰবৰুৱা শাখাৰ বিষয়ববীয়া সদস্য উপস্থিত থাকে। অনুষ্ঠানত পায় দুশ (২০০) ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

# অম্বুবাচী/আমতি অসমৰ এক পৌৰাণিক ৰীতি-নীতিঅনুষ্ঠান

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

**আ**মাৰ ভাৰতবৰ্ষএখন কৃষি প্ৰধান দেশ। বৈদিক যুগৰ পৰা কিছুমান নীতি নিয়মৰ মাজেৰে হিন্দুসকলে নিজৰ জীৱন ধাৰণ কৰে। পৃথিৱীকমাতৃ হিচাপে তুলনা কৰা হয়। অসমৰ লোকসকলে আমতি এক পৰম্পৰা ধৰ্মীয় অনুষ্ঠান পৌৰাণিক যুগৰ পৰাই পালন কৰি আহিছে। অসমীয়া বাৰটা মাহৰ ভিতৰত অন্যতম আহাৰ মাহত অম্বুবাচী মানে আমতি পালন কৰা হয়। আমতি যাঁঠ লগা বা প্ৰবৃত্তি আৰু নিবৃত্তি যাঁঠ ভঙা।কামৰূপ জিলাৰ বাসিন্দা হিচাপে'মা কামাখ্যা ধাম' নিলগত নহয় কাৰণে ৰীতি- নীতিৰ সৈতে আমি পৰিচিত। মা কামাখ্যা ধাম আমাৰ গাঁৱৰ পৰা ৩০ কিঃমিঃ দূৰত্ব। দেৱী মা কামাখ্যা ৰাজস্বলা হোৱা আমতিৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। মা কামাখ্যা ধাম ভোলানাথ শিৱৰ অৰ্ধাঙ্গিনী দেৱী সতীৰ এটা অংশ নীলাচল পৰ্বতত পৰি সৃষ্টি হৈছিল। তেওঁ কেনেকৈ দেহ ত্যাগ কৰিছিল ইয়াত এটা কাহিনী জড়িত আছে, সেইটো আলোচনা পিচত এদিন কৰিম। আমতিৰ যাঁঠ অৰ্থাৎ প্ৰবৃত্তি হয় সেইদিনাৰ পৰাই কামাখ্যাৰ দুৱাৰ বন্ধ কৰি দিয়ে। প্ৰবৃত্তি কেইদিন কৃষি কৰ্ম যেনে - গছৰ ফলমূল বা তামোল পাণ আদি কোনো পাৰিব নিদিয়ে। চুৱা থাকে বুলি কয়। আমতিৰ যাঁঠ ভাঙে নিবৃত্তি হয়। কামাখ্যা দুৱাৰ খোলা খায়। সেই দিনাৰ পৰা সকলো মাঙ্গলিক অনুষ্ঠান কৰিব পাৰি। কিন্তু বৰ্তমান নিয়মবোৰ সলনি হৈছে তথাপিও কিছুমান নিয়ম এতিয়াও আছে। যাঁঠ লগা কেইদিন নামঘৰত চাকি দিয়া নহয়।

# ডিব্ৰুগড় শাখা লেখিকা সংস্থাৰ উদ্যোগত প্ৰথিতযশা সাহিত্যিক ড° নিৰ্মলপ্ৰভা বৰদলৈ স্মৃতি দিৱস উদযাপন




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ৰাজ্যখনৰ এগৰাকী স্বনামধন্য কবি, গীতিকাৰ, সাহিত্যিক ড° নিৰ্মলপ্ৰভা বৰদলৈৰ স্মৃতি দিৱস ডিব্ৰুগড় শাখা লেখিকা সংস্থাই গীত আৰু কবিতাৰ অনুষ্ঠানটি উদ্‌যাপন কৰে। প্ৰতি বছৰৰ দৰে এইবাৰো সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত কৰা এই অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে লেখিকা সংস্থাৰ উপদেষ্টা তথা অসম লেখিকা সংস্থাৰ কাৰ্যকৰী সভাপতি হেমপ্ৰভা তাছা। শাখাৰ সম্পাদিকা পৰিমালা বৰুৱা কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত সভাপতি অনিমা কোঁচ গগৈয়ে পৰিচালনা কৰা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীত কবিতাৰ এটি সুন্দৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে অসম লেখিকা সংস্থাৰ প্ৰধান সম্পাদক উদয়ন্তী হাজৰিকাই। সভাত অলপতে বিমান দুৰ্ঘটনাত মৃত্যু হোৱা মৃতকৰ আত্মাৰ সদগতি বাবে মৌন প্ৰাৰ্থনা কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় শাখাৰ প্ৰাক্তন সম্পাদিকা আৰু বৰ্তমানৰ অসম লেখিকা সংস্থাৰ প্ৰধান সম্পাদিকা পদ অলংকৃত কৰা উদয়ন্তী হাজৰিকাক শাখাৰ ফালৰ পৰা সম্বৰ্ধনা জনায় শাখাৰ সম্পাদিকা পৰিমালা বৰুৱা কোঁৱৰে। বিষয়ববীয়াসকলে নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনভিত্তিক সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে ক্ৰমে হেমপ্ৰভা তাছা, গৌৰী শইকীয়া, বৈজয়ন্তি কৌৰ গগৈ উদয়ন্তী হাজৰিকা, উৎপলা দাস, জিতা ডেকা হাজৰিকাই। ডিব্ৰুগড় শাখা লেখিকা সংস্থাৰ ত্ৰিমাহিক পত্ৰিকা 'সুৰভি' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক গৈৰিকা বৰুৱা আহমেদে। তেখেতে পত্ৰিকাখন উন্মোচন কৰি ড° নিৰ্মলপ্ৰভাৰ সন্দৰ্ভত তত্বগধুৰ বক্তব্য আগবঢ়ায়। অনুষ্ঠানটিত অংশগ্ৰহণ কৰা গৌৰী শইকীয়া, গৈৰিকা আহমেদ বৰুৱা, হেমপ্ৰভা তাছা, কাঞ্চন বৰুৱা, বৈজয়ন্তী কৌৰ গগৈ, অনিমা কোঁচ গগৈ, ৰীণা দত্ত ভঁড়ালী, ছায়া দত্ত ভূঁঞা, উৎপলা দাস, সুৰজিতা সন্দিকৈ, কুসুম শইকীয়া সোনোৱাল, লোকদা বৰুৱা, মন্দিৰা কোঁৱৰ, টুনুমণি বৰুৱা, মঞ্জু গগৈ, ইভা গন্ধীয়া ফুকন, পৰিমালা কোঁৱৰ, জিতা ডেকা হাজৰিকা, সীমা বৰুৱা, নিবেদিতা চুতীয়া, মিনাক্ষী দাস বৰুৱা, অৰুণিমা বৰুৱা, নমিতা বৰুৱা, মফিদা বেগম, সুশীলা ৰাজবংশী, অনিমা বড়া সোনোৱাল, ৰিঞ্জুমণি হাজৰিকা, মল্লিকা দাসৰ গীত আৰু কবিতাই জীপাল কৰি তোলে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় পৰিমালা কোঁৱৰে।

# নগাঁৱৰ লক্ষীনগৰ চাৰিআলিত সুৰাৰ আড্ডা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ লক্ষীনগৰ চাৰিআলি এলেকাত কিছুদিন ধৰি একাংশ লোকে সুৰাৰ এক ৰমৰমীয়া আড্ডা চলি আছে। বিশেষকৈ অৰ্কিত ৱাইনশ্বপৰ সমীপৰ এখন হোটেলত একাংশ লোকে সুৰা সেৱন কৰি এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰি আহিছে। ফলত হোটেলৰ কাষত বাসিন্দাসকল অশান্তিত দিন কটাব লগা হৈছে। আনকি শিক্ষাৰ্থীসকলৰ অধ্যয়নত বাধাৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত আবকাৰী বিভাগ আৰু আৰক্ষীয়ে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে।

# চলিত নাট্যবৰ্ষৰ বাবে বৰ্ণাঢ্য-বিশাল আয়োজনেৰে ‘ৰাজতিলক থিয়েটাৰ’ সাজু ন-ৰূপত, ন- সাজত




**ৰমেন ভৰালী, বংশৰ ঃ** বিগত নাট্য বৰ্ষসমূহৰ দৰে আভিজাত্য আৰু চমকপ্ৰদ আয়োজনৰে জনপ্ৰিয়তাৰ শীৰ্ষত থকা ভ্ৰাম্যমাণৰ অন্যতম প্ৰথম শ্ৰেণীৰ নাট্যদল ৰাজতিলক থিয়েটাৰৰ ২০২৫-২৬ নাট্যবৰ্ষৰ মহাআয়োজনৰে সাজু হৈছে। প্ৰতিটো নাট্যবৰ্ষৰ অভূতপূৰ্ব সাফাল্যৰ ধাৰা অক্ষুন্ন ৰাখি অহা নাট্যবৰ্ষটো এদল ন-পুৰণি নাট্যযোদ্ধাৰ ৰথী-মহাৰথীৰে দৰ্শকৰ ৰুচি সম্পন্ন নাট্যসম্ভাৰ লৈ শক্তিশালী প্ৰযোজনাৰে অসমবাসী ৰাইজৰ মৰম আৰু আশীৰ্বাদ শিৰত লৈ আগন্তুক ২০২৫-২০২৬ বৰ্ষৰ বাবে ১৮ তম গৌৰৱোজ্জ্বল নাট্যবৰ্ষৰ এক বৰ্ণাঢ্য বিশাল আয়োজন আৰু প্ৰযোজনাৰে সাজু হৈছে মধুমিতা শৰ্মাৰ দ্বাৰা প্ৰযোজিত আৰু অনুপ দাসৰ পৰিকল্পনাৰে আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল ‘ৰাজতিলক থিয়েটাৰ’। অসমৰ জনপ্ৰিয় নাট্যকাৰ তিনিগৰাকীৰ ভিন্ন নাট্য স্বাদৰ ব্যতিক্ৰমী তথা ভিন্নধৰ্মী নাট্যসম্ভাৰ লৈ সাজু হৈছে নাট্যদলটিয়ে। য'ত আছে হাঁহি, কান্দোন, ৰোমাঞ্চ, চাছপেঞ্চৰ সমাহাৰ। নাট্যপ্ৰেমী ৰাইজৰ মনোৰঞ্জনৰ বাবে শক্তিশালী কাহিনী আৰু দৃশ্যপটলৈ ৰচনা কৰা যশস্বী নাট্যকাৰ পৰিচালক গীতিকাৰ অভিজিত ভট্টাচাৰ্যৰ ‘মোৰ চকুলে নাচাবা’, হ'ব চলিত বৰ্ষৰ এক সুবিশাল আয়োজন। মুনমী ফুকনে এই নাটকখনত এক ব্যতিক্ৰমী চৰিত্ৰ ৰূপায়ণ কৰিব। নাচে, গানে আৰু ফাইটিং শিহৰণে এই নাটকখনত ৰহণ চৰিব। আনহাতে অসমৰ বিশিষ্ট নাট্যকাৰ, সাহিত্যিক, সাংবাদিক ধ্ৰুৱজ্যোতি শৰ্মাৰ নাটক মানে কাব্যিক সৌন্দৰ্যৰে উজলি উঠা আৱেগিক কাহিনীৰ হৃদয়পৰশা উপস্থাপন। বাস্তৱৰ জীৱন্ত চৰিত্ৰ অংকন কৰি শৰ্মা দেৱে ৰচনা কৰা কৰুণ ৰসৰ নাটক ‘মেডিকেল কলেজ ঃ মৰমে য'ত উচুপে’ হ'ব ৰাজতিলকৰ এক নান্দনিক আয়োজন। ক'ব পাৰি উদ্দীপনাৰে সমৃদ্ধ প্ৰথম নিশাৰ দৰ্শকে বিচৰা ধৰণৰ পাৰিবাৰিক নাটক। নাট্যদলটোত অসমৰ জনপ্ৰিয় নাট্যকাৰ প্ৰণৱ বৰুৱাই ৰচনা কৰা ব্যতিক্ৰমী চিন্তাৰে পৰিপূৰ্ণ নাট ‘পথভ্ৰষ্ট’ত আছে নতুন প্ৰজন্মৰ যুৱক-যুৱতীৰ মাজত গঢ়ি উঠা বেপৰোৱা মনোবৃত্তিৰ যথাৰ্থ বিশ্লেষণ। এইখনো হ'ব অন্যতম আকৰ্ষনীয় নাট। আগন্তুক ২০২৫-২০২৬ নাট্যবৰ্ষত ‘ৰাজতিলক থিয়েটাৰ’ৰ মঞ্চত দেখিবলৈ পাব সুদৰ্শন নায়ক ৰাতুল দাস, অভিজ্ঞতাপুষ্ট বিনয় ডেকা, জনপ্ৰিয় মোহময়ী অভিনেত্ৰী মুনমী ফুকন, লগতে ভ্ৰাম্যমাণ জগতৰ সুপৰিচিত অঞ্জনজ্যোতি বেজ, গৌতম ৰাজ, হিমানী কলিতা, পাৰ্থ বৰা, বিপ্লৱ দত্ত, পুষ্পাঞ্জলী পাঠক, ৰাকেশ কলিতা আদিৰ সমাহাৰযুক্ত এদল অভিজ্ঞ নাট্যযোদ্ধা তথা শিল্পী কলা কুশলীৰ অভিনয়ৰ পৰশত উজলি উঠিব ৰাজতিলকৰ ৰঙীণ মঞ্চ। নাট্যদলটোৰ সামগ্ৰিক পৰিকল্পক অনুপ দাসে জনোৱা মতে প্ৰতিখন নাটকৰ প্ৰ'ম ভিডিঅ' আৰু গীত সামাজিক মাধ্যমযোগে ৰাইজৰ মাজলৈ উলিয়াই দিয়া হৈছে আৰু বহুল প্ৰচাৰ হৈছে। নাট্যদলটোলৈ জনাইছোঁ বহুত আন্তৰিক শুভ কামনা।

# প্ৰতিভাৱান ছাত্ৰী অনন্যা দেৱীয়ে উচ্চ শিক্ষাৰ সমান্তৰালভাৱে অব্যাহত ৰাখিছে সংগীতৰ চৰ্চা



**জয়ন্ত মুদৈ, নগাঁও ঃ** এগৰাকী প্ৰতিভাৱান ছাত্ৰী। নাম অনন্যা দেৱী। সৰুৰে পৰা পঢ়া-শুনাত অতি মেধাসম্পন্ন অনন্যা। মৰমতে ঘৰত সকলোৱে মাতে পাহী বুলি। জন্ম তেজপুৰত যদিও শৈশৱৰ পৰাই দেউতাৰ চাকৰিৰ সূত্ৰে অসম আৰু অৰুণাচলৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিবলগীয়া হৈছিল অনন্যাই। নাহৰলগুণৰ এখন ইংলিছ স্কুলত শিক্ষা জীৱনৰ আৰম্ভণি কৰা অনন্যাই পৰৱৰ্তী সময়ত মঙ্গলদৈৰ নৰ্থ ইষ্ট একাডেমীত অধ্যয়ন কৰাৰ পিছত তেজপুৰৰ চেইণ্ট যোচেফ কনভেণ্ট হায়াৰ ছেকেণ্ডাৰী স্কুলৰ পৰা মেট্ৰিক পাছ কৰি নগাঁৱৰ ৰামানুজন জুনিয়ৰ কলেজত নামভৰ্তি কৰে। ইয়াৰ পৰা সুখ্যাতিৰে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ ৰয়েল গ্লৱেল ইউনিৰ্ভাৰ্ছিটিত স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰি তাৰ পৰা উত্তীৰ্ণ হৈ বৰ্তমান বাংগালুৰুত স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰি আছে অনন্যাই। এইদৰে উচ্চ শিক্ষা গ্ৰহণ কৰি থকা মেধাৱী ছাত্ৰী অনন্যাই কিন্তু সমানে অব্যাহত ৰাখিছে সংগীতৰ চৰ্চা। এটি সুন্দৰ কণ্ঠৰ অধিকাৰী অনন্যাই প্ৰায় ছয় বছৰ বয়সৰ পৰাই সংগীতৰ প্ৰতি আকৰ্ষিত হৈ প্ৰথমে প্ৰয়াত হিৰণ্য বৰকাকতিৰ পৰা শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ কৰে। অৱশ্যে ইয়াৰ কেইদিনমান পূৰ্বে অনুপ শৰ্মা নামৰ এজন শিক্ষকে ঘৰতে গান গাবলৈ শিকাইছিল আৰু তেজপুৰৰ বাণ থিয়েটাৰত প্ৰতিযোগিতাত ভাগ লৈ পুৰস্কাৰো লাভ কৰিছিল অনন্যাই। এনেদৰে সংগীতৰ জগতত ভৰি থৈ বিভিন্ন প্ৰতিযোগিতাত অংশ লৈ সুনাম অৰ্জন কৰা অনন্যাই ইয়াৰ মাজতে তেজপুৰৰ জ্যোতি কলা কেন্দ্ৰ মহাবিদ্যালয়ৰ পৰা বি মিউজ পাছ কৰে। পৰৱৰ্তী সময়ত বিশিষ্ট সুৰকাৰ তথা গায়ক দেৱজিত চৌধুৰীৰ উদ্যোগত অনন্যাই কেইবাটিও আধুনিক গীত বানীবন্ধন কৰে। তদুপৰি সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কেইবাটিও গীতৰ লগতে পৰাগ দেৱ চৌধুৰীয়ে ৰচনা কৰা কেইবাটাও গীত অনন্যাৰ কণ্ঠত বানীবন্ধন কৰা হয়। আনকি কিছুদিনৰ পূৰ্বে বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাৰ লগত এটি আধুনিক গীত বানীবন্ধন কৰা হয়। এইদৰে প্ৰচুৰ প্ৰতিভাৰ অধিকাৰী অনন্যাই কৰি আহিছে সংগীতৰ নিৰৱচ্ছিন্ন চৰ্চা। অৱশ্যে স্কুলীয়া জীৱনত অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগিতাত ভাগ লৈ পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা অনন্যাই উচ্চ শিক্ষাৰ বাবে পৰ্যাপ্ত সময় নোপোৱাত প্ৰতিযোগিতাত ভাগ নলৈ বৰ্তমান নিজাববীয়াকৈ সংগীতৰ চৰ্চা চলাই আহিছে। বৰ্তমান বাংগালুৰুত স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰি থকাৰ মাজতে তেজপুৰৰ বাম পৰ্বতীয়াৰ নিজা ঘৰলৈ অহা অনন্যাক লগ পোৱাত সংগীত সদায় তেওঁৰ হৃদয়ত আছে বুলি মন্তব্য কৰি ভৱিষ্যতেও সংগীতৰ চৰ্চা চলাই যাব বুলি দৃঢ়তাৰে কয়। সাম্প্ৰতিক সময়ত একাংশ যুৱক-যুৱতী আধুনিকতাৰ ধামখুমীয়াত পৰি বিপথগামী হৈ পৰাৰ সময়তে পিতৃ বীৰেন চন্দ্ৰ নাথ আৰু মাতৃ তৃষ্ণা বৰমুদৈ নাথৰ অনুপ্ৰেৰণাত এনেদৰে উচ্চ শিক্ষা আৰু সংগীতৰ চৰ্চা সমানে চলাই নিয়া অনন্যা বহুতৰে বাবে প্ৰেৰণাৰ উৎস হিচাপে চিহ্নিত হৈছে।

# ভিয়েটনামৰ পাছত ডুবাইলৈ ৰপ্তানি শিৱসাগৰৰ কণজহা




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** বিশ্বৰ বজাৰলৈ শিৱসাগৰৰ কণজহা। শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কৃষি মন্ত্ৰী অতুল বৰাৰ তত্ত্বাৱধানত জিলাখনৰ ডিমৌৰ গৰভগা বান্দৰমাৰী অঞ্চলৰ জ্যোতি কৃষিসেৱা গোটৰ সহযোগত ১০ মেট্ৰিকটন কনজহা ধান ডুবাইলৈ ৰপ্তানি কৰা হয়। উক্ত অনুষ্ঠানৰ ফ্লেগ অফ কৰে অসমৰ জলসম্পদ, তথ্য আৰু জনসম্পৰ্ক মন্ত্ৰী পীযুষ হাজৰিকাই। অনুষ্ঠানত উপস্থিত থাকে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, জিলা কৃষি বিষয়া আচিফ বৰা, সহকাৰী কৃষি সঞ্চালক অমৃত শইকীয়া। উল্লেখযোগ্য যে, চেফ এগ্ৰ'টেক প্ৰাইভেট লিমিটেডৰ জৰিয়তে এই ৰপ্তানি কৰা হৈছে। আনহাতে ইয়াৰ পূৰ্বে যোৱা মাৰ্চ মাহত ১০ মেট্ৰিকটন ধান ভিয়টনামলৈ প্ৰেৰণ কৰা হৈছিল।

# ডিব্ৰুগড়ত উত্তৰ-পূব উদ্যোগী নাৰী সন্থাৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস

## পদ্মশ্ৰী হেমপ্ৰভা চুতীয়া আৰু গান্ধীবাদী নেত্ৰী কুসুম মুখাৰ্জীক বিশেষ সম্বৰ্ধনা



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** নাৰী সবলীকৰণৰ অন্যতম সংগঠন ‘উত্তৰ-পূব উদ্যোগী নাৰী সন্থা’ (NEWEA) ডিব্ৰুগড় জিলাই ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি তাঁতৰ শালত ধৰ্মগ্ৰন্থক বৰ্ণবস্ত্ৰ ৰূপ দি একপ্ৰকাৰৰ অসাধ্যকো সাধ্য কৰি তোলা অসম গৌৰৱ, পদ্মশ্ৰী বঁটাৰে সন্মানিত মৰাণৰ কাজী শিপিনী হেমপ্ৰভা চুতীয়া আৰু প্ৰবীণ গান্ধীবাদী নেত্ৰী বিশিষ্ট সমাজকৰ্মী কুসুম মুখাৰ্জীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ডিব্ৰুগড়ৰ জাগৃতি গৃহত অনুষ্ঠিত ডিব্ৰুগড় জিলাৰ সম্পাদিকা জুলি দিহিঙ্গীয়াই আঁত ধৰা তথা কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী কিৰণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত সম্বৰ্ধনা গ্ৰহণ কৰি হেমপ্ৰভা চুতীয়াই বস্ত্ৰশিল্পৰ জৰিয়তে কি দৰে অসমীয়া শিপিনী স্বাৱলম্বী হ'ব পাৰে আৰু অসম চৰকাৰে মহিলা শিপিনীসকলক প্ৰশিক্ষণৰ জৰিয়তে কেনেদৰে দক্ষ কৰি তুলিব পাৰে সেই সন্দৰ্ভত বক্তৃতা প্ৰদান কৰাৰ লগতে তেওঁ নিজাববীয়াকৈ আগ্ৰহীসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে থকা আগ্ৰহৰ কথা ব্যক্ত কৰে। এই অনুষ্ঠানতে ত্ৰিবেণী মহিলা সংঘৰ সভানেত্ৰী প্ৰগতি শইকীয়া, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। ডিব্ৰুগড় তথা অসমৰ উদ্যোগী নাৰীসকলক লৈ ৩০ বছৰ পূৰ্বে গঠন কৰা ‘উত্তৰ-পূৰ্ব উদ্যোগী নাৰী সন্থা’ই অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ বিভিন্ন ৰাজ্যৰ মহিলা সকলক স্বাৱলম্বনৰ এক মঞ্চ তৈয়াৰ কৰি দিয়া ক্ষেত্ৰত অন্যতম হিচাপে পৰিগণিত হোৱা বুলি কৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে নাৰীসকলৰ মহান উদ্দেশ্যৰ শলাগ লয়। যি নাৰীয়ে এসময়ত দেশৰ কাৰণে ওলাই যোৱা নিজ স্বামীৰ মংগলৰ কাৰণে নিশাৰ ভিতৰতে কবচ বৈ দিছিল। সেই নাৰীৰ একাংশৰ এতিয়া বস্ত্ৰ শিল্পনো কি বা তাঁত শালৰ সন্দৰ্ভত বিশেষ জ্ঞান নাই। তদুপৰি থলুৱা শিপিনীৰ অভাৱত থলুৱা তাঁতশাল সমূহ বন্ধ হোৱাৰ লগতে আমদানিকৃত বস্ত্ৰই বজাৰ দখল কৰিছে। কিন্তু তাৰ বিপৰীতে গৈ পদ্মশ্ৰী হেমপ্ৰভা চুতীয়াৰ দৰে মহিলাই নিজৰ একাগ্ৰতা আৰু আন্তৰিকতাৰে তাঁত শালৰ জৰিয়তে সপোন ৰচি ‘পদ্মশ্ৰী’ দৰে সন্মান বুলিবলৈ সক্ষম হোৱা বুলি কৈ হেমপ্ৰভা চুতীয়া সমগ্ৰ অসমীয়া মহিলাৰ বাবে সদায় আদৰ্শ হৈ থাকিব বুলি কয়। অনুষ্ঠানত সংগঠনটোৰ কোষাধ্যক্ষ ৰূপা গগৈ, মিডিয়া চেলৰ পিতাঞ্জলী মেধি শৰ্মাকে আদি কৰি বিষয়ববীয়া সকল উপস্থিত থাকে। আনহাতে অনুষ্ঠানতে জুলি দিহিঙ্গীয়াই এটি বৰগীত, নীলাক্ষী দেউৰী আৰু পপী গগৈয়ে সৃষ্টি মূলক নৃত্য, পিতাঞ্জলী মেধি শৰ্মাই গীত, গীতাঞ্জলি গগৈয়ে পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত আদি পৰিৱেশন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

জনতাৰ চৰকাৰ | myGov মেৰী সৰকাৰ
অসম চৰকাৰ



মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

# সবল মহিলা সবল সমাজ

■ উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলালৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ যোগেদি

₹ ১০,০০০ টকাৰ
উদ্যমিতা পুঁজি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

সামৰি লোৱা মুঠ মহিলা উদ্যমী — প্ৰায় ৩০ লাখ

উদ্যমিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহ: কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্প ইত্যাদি

সৰ্বমুঠ পুঁজি ৩০০০ কোটি টকা

অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ১ এপ্ৰিল তাৰিখে বিহালী সমষ্টিত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভণি কৰে

## সমষ্টি অনুসৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী


| ক্ৰমিক নং | বিধান সভা সমষ্টিৰ নং আৰু নাম | মাহ |
|---|---|---|
| ১ | ৩৯ নং নলবাৰী | আগষ্ট ২০২৫ |
| ২ | ৫২ নং জাগীৰোড | |
| ৩ | ১২৫ নং পাথাৰকান্দি | |
| ৪ | ৮৩ নং মাৰ্ঘেৰিটা | |
| ৫ | ৮ নং ধুবুৰী | |
| ৬ | ১১৮ নং শিলচৰ | ছেপ্টেম্বৰ ২০২৫ |
| ৭ | ১১৪ নং লক্ষীপুৰ | |
| ৮ | ৩৭ নং জালুকবাৰী | |
| ৯ | ৬৩ নং হোজাই | |
| ১০ | ৬৫ নং ঢেকিয়াজুলি | |
| ১১ | ৭০ নং বিশ্বনাথ | |
| ১২ | ৮০ নং জোনাই | |
| ১৩ | ৮৬ নং তিনিচুকীয়া | |
| ১৪ | ১১১ নং ৰংখাং | |
| ১৫ | ৫৩ নং লাহৰিঘাট | |
| ১৬ | ৭ নং গৌৰীপুৰ | |
| ১৭ | ১১ নং মানকাচৰ | |
| ১৮ | ৩৪ নং ডিমৰীয়া | অক্টোবৰ ২০২৫ |
| ১৯ | ৩৫ নং নিউ গুৱাহাটী | |
| ২০ | ১২১ নং হাইলাকান্দি | |
| ২১ | ১২৬ নং আৰ কে নগৰ | |
| ২২ | ২৮ নং বকো-ছয়গাঁও | |
| ২৩ | ৩১ নং ৰঙিয়া | |
| ২৪ | ৩২ নং কমলপুৰ | |
| ২৫ | ১৮ নং বঙাইগাঁও | |
| ২৬ | ৫৪ নং মৰিগাঁও | |
| ২৭ | ৫৭ নং কলিয়াবৰ | |
| ২৮ | ৫৯ নং বঢ়মপুৰ | |
| ২৯ | ৬০ নং নগাঁও-বটদ্ৰৱা | |
| ৩০ | ৬১ নং ৰহা | |
| ৩১ | ৬৪ নং লামডিং | |
| ৩২ | ৬৯ নং নদুৱাৰ | |
| ৩৩ | ৮১ নং শদিয়া | |
| ৩৪ | ৮২ নং ডুমডুমা | |
| ৩৫ | ৮৭ নং চাবুৱা-লাহোৱাল | |
| ৩৬ | ৮৮ নং ডিব্ৰুগড় | |
| ৩৭ | ১২ নং জলেশ্বৰ | |
| ৩৮ | ২৫ নং পাকাবেটবাৰী | |
| ৩৯ | ২৭ নং চমৰীয়া | |
| ৪০ | ৫৫ নং ধিং | |
| ৪১ | ৯ নং বীৰছিং জাৰুৱা | |
| ৪২ | ১০৪ নং দেৰগাঁও | নৱেম্বৰ ২০২৫ |
| ৪৩ | ১০৫ নং বোকাখাত | |
| ৪৪ | ১০৭ নং সৰুপথাৰ | |
| ৪৫ | ১০৩ নং গোলাঘাট | |
| ৪৬ | ১০৮ নং বোকাজান | |
| ৪৭ | ১০৯ নং হাওৰাঘাট | |
| ৪৮ | ১১৩ নং হাফলং | |
| ৪৯ | ১১৫ নং উধাৰবন্দ | |
| ৫০ | ১২০ নং ধলাই | |
| ৫১ | ২৬ নং বজালী | |
| ৫২ | ৪০ নং টিহু | |
| ৫৩ | ৪৯ নং ছিপাঝাৰ | |
| ৫৪ | ৫০ নং মঙলদৈ | |
| ৫৫ | ৬৬ নং বৰছলা | |
| ৫৬ | ৬৮ নং ৰঙাপৰা | |
| ৫৭ | ৭২ নং গহপুৰ | |
| ৫৮ | ৩৬ নং গুৱাহাটী (কেন্দ্ৰীয়) | |
| ৫৯ | ৬ নং গোলকগঞ্জ | |
| ৬০ | ৭৭ নং ঢকুৱাখনা | |
| ৬১ | ৭৮ নং ধেমাজি | |
| ৬২ | ৭৯ নং চিচিবৰগাঁও | |
| ৬৩ | ৮৫ নং মাকুম | |
| ৬৪ | ৯০ নং দুলীয়াজান | |
| ৬৫ | ১ নং গোসাঁইগাঁও | |
| ৬৬ | ১৭ নং সৃজনগ্ৰাম | |
| ৬৭ | ২২ নং মান্দিয়া | |
| ৬৮ | ৬২ নং বিন্নাকান্দি | |
| ৬৯ | ৫৮ নং চামগুৰি | |
| ৭০ | ১০৬ নং খুমটাই | ডিচেম্বৰ ২০২৫ |
| ৭১ | ১১৬ নং কাটিগড়া | |
| ৭২ | ১১৭ নং বৰখলা | |
| ৭৩ | ১৩ নং পশ্চিম গোৱালপাৰা | |
| ৭৪ | ১৫ নং দুধনৈ | |
| ৭৫ | ১৬ নং অভয়াপুৰী | |
| ৭৬ | ২০ নং বিজনী | |
| ৭৭ | ২১ নং ভৱানীপুৰ-সৰভোগ | |
| ৭৮ | ২৪ নং বৰপেটা | |
| ৭৯ | ৩৩ নং দিছপুৰ | |
| ৮০ | ৩৮ নং বৰক্ষেত্ৰী | |
| ৮১ | ৪১ নং মানস | |
| ৮২ | ৪৩ নং তামুলপুৰ | |
| ৮৩ | ৪৪ নং গোৰেশ্বৰ | |
| ৮৪ | ৪৫ নং ভেৰগাঁও | ডিচেম্বৰ ২০২৫ |
| ৮৫ | ৪৭ নং মাজবাট | |
| ৮৬ | ৪৮ নং টংলা | |
| ৮৭ | ৬৭ নং তেজপুৰ | |
| ৮৮ | ৭৩ নং বিহপুৰীয়া | |
| ৮৯ | ৭৬ নং লখিমপুৰ | |
| ৯০ | ৯১ নং টিংখাং | |
| ৯১ | ৯৮ নং মাজুলী | |
| ৯২ | ১০০ নং যোৰহাট | |
| ৯৩ | ১০১ নং মৰিয়নি | |
| ৯৪ | ১২৪ নং দক্ষিণ কৰিমগঞ্জ | |
| ৯৫ | ২৩ নং চেঙা | |
| ৯৬ | ৫৬ নং ৰূপহীহাট | |
| ৯৭ | ১১৯ নং সোণাই | |
| ৯৮ | ১০২ নং তিতাবৰ | জানুৱাৰী ২০২৬ |
| ৯৯ | ৯৯ নং টীয়ক | |
| ১০০ | ৯৩ নং সোণাৰি | |
| ১০১ | ৯৪ নং মাহমৰা | |
| ১০২ | ৯৫ নং ডিমৌ | |
| ১০৩ | ৯৬ নং শিৱসাগৰ | |
| ১০৪ | ৯৭ নং নাজিৰা | |
| ১০৫ | ৮৯ নং খোৱাং | |
| ১০৬ | ৯২ নং নাহৰকটীয়া | |
| ১০৭ | ৮৪ নং ডিগবৈ | |
| ১০৮ | ৭৪ নং ৰঙানদী | |
| ১০৯ | ৭৫ নং নাওবৈচা | |
| ১১০ | ৪২ নং বাক্সা | |
| ১১১ | ৪৬ নং ওদালগুৰি | |
| ১১২ | ১৯ নং ছিদলী-চিৰাং | |
| ১১৩ | ৪ নং বাওখুংগ্ৰী | |
| ১১৪ | ২ নং দতমা | |
| ১১৫ | ১১০ নং ডিফু | |
| ১১৬ | ১১২ নং আম্ৰী | |
| ১১৭ | ৩০ নং হাজো-শুৱালকুছি | |
| ১১৮ | ১২৩ নং উত্তৰ কৰিমগঞ্জ | |
| ১১৯ | ২৯ নং পলাশবাৰী | |
| ১২০ | ১০ নং বিলাসীপাৰা | |
| ১২১ | ৩ নং কোকৰাঝাৰ | |
| ১২২ | ৫ নং পৰ্বতঝৰা | |
| ১২৩ | ১৪ নং পূব গোৱালপাৰা | |
| ১২৪ | ১২২ নং আলগাপুৰ-কাটলিচেৰা | |
| ১২৫ | ৫১ নং দলগাঁও | |

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 690/25/20-June-25

# বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কাব্যত বামপন্থী চিন্তাৰ প্ৰকাশ

■ **সমুজ্জ্বল ডেকা,** ৰঙিয়া



**ক**লাগুৰু ৰূপে জনাজাত অনেক প্ৰতিভাসম্পন্ন বিষ্ণু প্ৰসাদ ৰাভাই সমাজ জীৱনৰ সুখ-দুখ তথা ভিন্ন সংগ্ৰামৰ বৃষ্টি নিজৰ সৃষ্টিৰ মাজেৰে প্ৰকাশ কৰে।

১। ঐতিহ্য-চেতনা ঃ ৰাভাৰ গীত-কবিতাত অতীতপ্ৰীতিৰ কিছু আভাস পোৱা যায়। অৱশ্যে, ৰাভাৰ বস্তুনিষ্ঠ ইতিহাস চেতনা তেওঁৰ 'মানৱ জাতি', 'অতীত অসম' আদি প্ৰবন্ধতহে সুন্দৰকৈ ফুটি উঠিছে। শংকৰ-মাধৱৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত ৰাভাই শান্তি আৰু সাম্য-মৈত্ৰীৰ সুন্দৰ সমাজ এখন গঢ়া দিয়াৰ নিমিত্তে গীত আৰু কবিতাৰে ৰাইজক দুজনা গুৰুৰ আদৰ্শ ল'বলৈ আহ্বান জনাইছে। "অ' গুৰু মোৰ শংকৰ তৰিবৰ এ কিনো উপায়" বুলি এটি হৃদয়স্পৰ্শী গীতি কবিতা ৰচনা কৰি লোকগীতৰ সুৰত তেওঁ নিজে পৰিৱেশন কৰি ৰাইজৰ হৃদয় জয় কৰিছিল। আহোম বুৰঞ্জীৰ মহীয়সী নাৰী জয়মতী আইৰ আত্মত্যাগ আৰু দেশপ্ৰেমৰ কাহিনীৰে গীতিকবিতা লিখি হৃদয়স্পৰ্শী কৰুণ সুৰেৰে পৰিৱেশন কৰি অসমীয়া জীয়ৰী-বোৱাৰীক উদ্বুদ্ধ কৰিছিল-

"জয়া নাই, জয়া নাই,
জয়সাগৰৰ বুকুৰ মাজত উঠে চকুলোৰে ঢল,
মলয়াই তোলে হিয়াভগা সুৰ, কৰুণ বিননী
ৰোল
জয়া নাই জয়া নাই
অসমী আইৰ চেনেহৰ জী সতী জয়মতী নাই"

২। **প্ৰেম-বিৰহৰচেতনা** ঃ ৰাভাৰ বহুকেইটা গীত-কবিতাত প্ৰেম-বিৰহৰ সুগভীৰ অনুভূতি ফুটি উঠিছে। তেওঁৰ ব্যক্তিগত জীৱনটো প্ৰেম-বিৰহ, পোৱা-নোপোৱা, হ'ব-নহ'ব দ্বন্দ্বৰেই পূৰ্ণ। ৰাভাৰ প্ৰেম-বিৰহৰ গীত-কবিতাবোৰত নিজৰ জীৱনৰ বহু গোপন কথা প্ৰকাশ হৈ পৰিছে। 'নাহৰ ফুলে নুশুৱায় তগৰ ফুলে শুৱাব' গীতটোত বক্তাই প্ৰেমিকাৰ বাবে সাতসাগৰ সিঁচি মাণিক আনিম বুলিছে, নাহৰ তগৰ কপৌ ফুলে নুশুৱালে মেঘৰ বুকু ফালি বিজুলী ফুল আনিম, প্ৰয়োজন হ'লে হিয়া ফালি তেজাল পোৱালমণি উলিয়াই প্ৰেমিকাৰ ডিঙিত পিন্ধাম বুলিছে। আন এটা কবিতাত বক্তাই সুধিছে-

"হিয়াৰ ফুলনিত যি ফুল ফুলালোঁ
সেই ফুল তুমি ছিঙিবানে?
যি ফুলৰ পাহি যতনে মেলিলোঁ
সেই পাহি তুমি চুমিবানে?"

ৰাভাৰ আন কেইবাটাও হৃদয়স্পৰ্শী তথা বহুসমাদৃত কবিতা আছে য'ত বিফল প্ৰেমৰ তীব্ৰ দহন ফুটি উঠিছে, যেনে-

"লগন উকলি গ'ল তেওঁ যে নহ'ল কোৱা
মনৰ কথাটি মোৰ হিয়াত গুপুতে থোৱা।"

"পৰজনমৰ শুভ লগনত যদিহে আমাৰ হয়
দেখা
পূৰাবানে প্ৰিয়ে এই জনমৰ মোৰ হিয়াৰ অপূৰ্ণ
আশা?"

"মেলানি বেলাৰ বিদায় লগন যেতিয়া আহিব
চাপি,
উঠিবনে প্ৰিয়ে, তেতিয়া এবাৰ হৃদয় তোমাৰ
কঁপি?" ইত্যাদি

এই গীতি কবিতাবোৰত কবিৰ যি অকৃত্ৰিম প্ৰেম আৰু হৃদয়ানুভূতি প্ৰকাশ পাইছে সেয়া সাৰ্বজনীন মানৱীয় অনুভূতি। আন কেইবাটাও কবিতাত ৰাভাই অপূৰ্ব শ্লীলতাৰ মাজেৰে নাৰীৰ ৰূপ-সৌন্দৰ্যৰ বন্দনা কৰিছে। গীতি কবিতাত জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আৰু ভূপেন হাজৰিকাই নাৰী বন্দনাত যি সম্ভ্ৰম আৰু শ্লীলতা বজায় ৰাখে সেয়া আজিৰ নতুনচাম কবি-শিল্পীয়ে মনোযোগেৰে অনুকৰণ কৰা উচিত।

৩। **মুক্তিৰচেতনা** ঃ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমি ফুৰোঁতে সাধাৰণ কৃষিজীৱী ৰাইজ আৰু দীনহীন শ্ৰমিক, বনুৱাৰ দুৰৱস্থা দেখি ৰাভাৰ হৃদয়ে কান্দি উঠিছিল-

"...অসহ জীৱন উটি ভাহি যোৱা
ভগা ছিগা মানৱী আমঠু হিয়া
শ্ৰম কৰিও খাবলৈ নোহোৱা
আলৈ বিলৈ হোৱা হজুৱা,-
কান্দে দুখীয়া বনুৱা।"

শ্ৰমজীৱী ৰাইজৰ দুৰৱস্থাৰ বিপৰীতে অগাধ প্ৰাচুৰ্য্য মাজত এমুঠিমান সামন্ত ভূ-স্বামী আৰু কাৰখানাৰ মালিকৰ উগ্ৰ বিলাসিতা দেখি বিপ্লৱী শিল্পী ৰাভাৰ কলমে গৰ্জি উঠিছিল-

"ধ্বংস কৰ ধ্বংস কৰ ধনীৰ অহংকাৰ
দয়া মায়া নকৰিবি ক্ষমাৰ দিন যে গ'ল
হাল কোৰ দা হাতুৰী লৈ ৰণলৈ যাওঁ ব'ল।"

ৰাভাই উপলব্ধি কৰিছিল ৰাজনৈতিক স্বাধীনতাই কোটি কোটি দৰিদ্ৰ জনতালৈ প্ৰকৃত মুক্তি আনিব নোৱাৰে যদিহে জনতাই দেশীয় ধনীক শ্ৰেণী আৰু বৰ্ণবাদী সমাজখনৰ পৰা সামাজিক ন্যায়, মানৱীয় অধিকাৰ আৰু অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব নোৱাৰে। সেয়ে ৰাভাই তথাকথিত নিম্নজাতৰ মানুহবোৰ আৰু দৰিদ্ৰ কৃষক-বনুৱাৰ মঙ্গলৰ বাবে আত্মসন্মান আৰু ন্যায্য অধিকাৰৰ মন্দিৰৰ দুৱাৰখন খুলি দিবলৈ সুন্দৰৰ পূজাৰীক আহ্বান জনাইছিল-

"আজি মন্দিৰৰ দুৱাৰ খোলা
বহে মিলনৰ উৎসৱ মেলা।
শুনোঁ মঙ্গল আৰতি গান
নাচি উঠে ভকতৰ প্ৰাণ।"

একেসময়তে, শিক্ষা আৰু জ্ঞান সাধনাইহে বিশ্বৰ কোটি কোটি দৰিদ্ৰ জনতালৈ প্ৰকৃত মুক্তি আনিব পাৰিব বুলি ৰাভাই বিশ্বাস কৰিছিল। সেয়ে লিখিছিল-

"...বিশ্বৰে দেউলত জ্ঞানৰে বন্তিৰ
আলোকৰে শিখা উঠক নাচি
অজ্ঞান এন্ধাৰ বিনাশী পুলকানন্দে..."

গতিকে বিষ্ণু ৰাভাৰ গীত আৰু কবিতাৰ ভাব-বৈচিত্ৰ্য আৰু আংগিকৰ বিশেষত্ব মন কৰিবলগীয়া দিশ। ৰাভা কলাৰ প্ৰতি গভীৰভাৱে অনুৰক্ত এগৰাকী প্ৰকৃত শিল্পী আৰু কবি আছিল। সেয়ে প্ৰতিটো কথা আৰু বিষয়ক কলাত্মক ভাৱনাৰে উপস্থাপন কৰিছিল। তেওঁৰ গীত আৰু কবিতাবোৰত বিভিন্ন ভাৱৰ সমাহাৰ ঘটিছে, যেনে- ৰোমাণ্টিক প্ৰেম, বিৰহ, দ্বন্দ্ব, বিদ্ৰোহ, প্ৰকৃতি-প্ৰেম, ধৰ্মনিৰপেক্ষতা, গণতান্ত্ৰিক ভাৱনা, সংস্কাৰ, মানৱতা, অপত্য স্নেহ, জ্ঞান আৰু সুন্দৰৰ সাধনা আদি। ইয়াৰ উপৰি বহু কবিতাত ব্যঙ্গ, ঘৃণা, স্মৃতি, বন্দনা আদিও আছে। ৰাভাই তেওঁৰ শিল্পকৰ্মবোৰ মনৰ খোৰাক পূৰণৰ বাবে নিৰ্মাণ কৰা নাছিল- প্ৰতিটোৰে মহৎ উদ্দেশ্য আছিল। মুখ্য উদেশ্যটো আছিল-মানৱীয় সত্তাৰ উত্তৰণ আৰু সমাজখনক সুন্দৰ ৰূপত গঢ়ি তোলা। তেওঁ প্ৰকৃতাৰ্থতে এগৰাকী নিৰ্ভেজাল কবি আছিল। তেওঁ ভাষা আৰু ছন্দৰ প্ৰয়োগত বিশেষ সাৱধান আছিল। মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ অৱলম্বন তেওঁৰ বহু গীত-কবিতাত দেখা যায়। সৰহখিনি গীত আৰু কবিতাতে সমাজচেতনা তীব্ৰ। বহু গীত আৰু কবিতাত ৰাভাই অসমীয়া লোকসাহিত্যৰ ভাষা, সুৰ আৰু কাহিনীক আদৰি আনিছে। 'বিলতে হালিছে ধুনীয়া পদুমী', 'অ' অসমীয়া ডেকা দ'ল', 'কাষতে ক'লচি লৈ', 'আজলী ছোৱালী', 'মেলানি বেলাৰ বিদায় লগন', 'লগন উকলি গ'ল', 'পৰজনমৰ শুভ লগনত', 'মোৰ জীৱনৰ আকাশতে', 'বিশ্বৰ ছন্দে ছন্দে', 'সুৰৰ দেউলৰে', 'আজি মন্দিৰৰ দুৱাৰ খোলা', 'ব'ল ব'ল ব'ল ব'ল', 'নিছলা আইৰে', 'জয়া নাই' আদি তেওঁৰ অসমীয়া সাহিত্য আৰু সংগীতজগতলৈ নজহা নপমা অৱদান। 'নাৰী', 'উভয় পুনৰ', 'ভঙা-প্ৰিয়া', 'ন-সমাজ', 'কল্পনা মূৰুতি', 'কাৰবালা', 'অঘৰীৰ ঘৰ' ইত্যাদি ৰাভাৰ দীঘল কবিতা। জনপ্ৰিয় বৈষ্ণৱ সাহিত্যৰ দ্বাৰাও ৰাভাৰ গীত আৰু কবিতাবোৰ প্ৰভাৱান্বিত। তেওঁৰ গীত আৰু কবিতাৰ ভাষা সহজ-সৰল-সৰ্বসাধাৰণে সহজে বুজিব পৰা। ভাৱপ্ৰকাশক শব্দবোৰ অতি আকৰ্ষণীয় আৰু যথাযথ। আৱেগপ্ৰৱণ ভাৱ, কাব্যিক ব্যঞ্জনাই গীত আৰু কবিতাবোৰক ৰসোত্তীৰ্ণ কৰি তুলিছে। ৰাভাৰ সৰহভাগ গীত আৰু কবিতাৰ সামগ্ৰিক মাধুৰ্য আৰু ব্যঞ্জনাই ৰাভাৰ সাহিত্যকৰ্মক বহু উচ্চস্তৰৰ গণ-সাহিত্যলৈ উন্নিত কৰিছে।

**ম'বাইল ঃ** ৭৫৭৮৮-৮০৯৩৩

# ওদালবাক্ৰা সাহিত্য সভাৰ ৰূপালী জয়ন্তী সমাৰোহ আৰু দ্বাদশ দ্বিবাৰ্ষিক অধিৱেশন সম্পন্ন

**গুৱাহাটী ঃ** যোৱা ১৪ জুন, ২০২৫ তাৰিখে ওদালবাক্ৰা সাহিত্য সভাৰ ৰূপালী জয়ন্তী সমাৰোহ আৰু দ্বাদশ দ্বিবাৰ্ষিক অধিৱেশনখনি ওদালবাক্ৰা বিষ্ণুৰাভা উদ্যানৰ প্ৰেক্ষাগৃহত সভাপতি নৰেন ডেকা দেৱৰ পৌৰোহিত্যত পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে নৰেন ডেকাই। স্মৃতি তৰ্পণৰ পিছতে ওদালবাক্ৰাৰ ৰাভা জাতি সংস্কৃতিক ক্ষেত্ৰত ওদালবাক্ৰা সাহিত্য সভাৰ কাৰ্যালয় নিৰ্মাণৰ বাবে জনজাতীয় যুৱ কল্যাণ পৰিষদৰ সভাপতি অনন্ত ৰাভাই ভূমিপূজন কৰে। অধিৱেশনৰ প্ৰতিনিধি সভাখন উদ্বোধন কৰে বিশিষ্ট সমাজ সেৱক শ্ৰীযুত সুজিত বিশ্বাস দেৱে। সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক দীপক কুমাৰ দত্তই, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মন দেৱ। সভাই সৰ্বসন্মতিক্ৰমে অহা ২০২৫-২৬ বৰ্ষৰ বাবে এখন নতুন কাৰ্যনিৰ্বাহক সমিতি নিৰ্বাচন কৰে।

১৫ জুন তাৰিখে অধিৱেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত বিষ্ণু ডেকা আৰু মতিৰাম নাথৰ তত্ত্বাৱধানত অনুষ্ঠিত হয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুঁইজ আৰু চিত্ৰাংকণ প্ৰতিযোগিতা। কুইজত বিভিন্ন বিদ্যালয়ৰ পৰা দুজনকৈ ১৬ টি দলে অংশগ্ৰহণ কৰে। অভিলেখ সংখ্যক ৮৩ জন কণ কণ ছাত্ৰ-ছাত্ৰীয়ে চিত্ৰাংকণত অংশগ্ৰহণ কৰে। ১১ বজাৰ পৰা আদৰণি সমিতিৰ সাধাৰণ সম্পাদক চিত্তৰঞ্জন ডেকাই আঁত ধৰা অসম সাহিত্য সভাৰ ওদালবাক্ৰা শাখাৰ ১২৫ জনৰো অধিক আজীৱন সভ্য সমাৰোহত এখন বিশেষ সন্মান পত্ৰ আৰু একোখনকৈ গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। সমাৰোহত উদ্বোধনী ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক আৰক্ষী মহাপৰিদৰ্শক ডঃ নন্দ সিং বৰকোলাদেৱে। প্ৰায় একঘণ্টা সময় তত্বগধূৰ ভাষণেৰে সকলোকে মুহিত কৰে। লগতে অন্যান্যসকল অতিথি হ'ল— জিলা সভাপতি প্ৰফুল্ল বৰ্মন, ড° সঞ্জীৱ শৰ্মা, অৰুণ কুমাৰ মহন্ত, বিজু দেৱী আৰু আদৰণি সমিতিৰ সভাপতি অনন্ত ৰভা আৰু বিষ্ণু ডেকাদেৱে চমু চমু ভাষণ আগবঢ়ায়।

বিয়লি ৩ বজাৰ পৰা আৰম্ভ হয় মুকলি সভা। নৰেন ডেকা দেৱৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট বিজ্ঞানী ড° অৰূপ কুমাৰ মিশ্ৰ, ড° দিগন্ত বিশ্ব শৰ্মা, ধীৰেন শৰ্মা, প্ৰমোদ কলিতা, ড° হীৰালাল বড়া, প্ৰফুল্ল বৰ্মন, ড° মৌচুমী চহৰীয়া, ৰুণা লাইলা, বেবী ভূএগ্ৰা আৰু সুকণ্ঠী গায়িকা প্ৰতীক্ষা ডেকা। ড° মৌচুমী চহৰীয়া আৰু প্ৰতীক্ষা ডেকাই একোটিকৈ গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে।

বিশিষ্ট লেখক পণ্ডিত চিন্তাবিদ শ্ৰীঅনন্ত কুমাৰ শৰ্মা দেৱক তেখেতৰ জীৱনযোৱা সাহিত্য সাধনাৰ বাবে ওদালবাক্ৰা সাহিত্য সভাই "ওদালবাক্ৰা সাহিত্য শিৰোনাম" সন্মান প্ৰদান কৰে। "ওদালবাক্ৰা গৌৰৱ" হিচাপে ক্ৰমে বিষ্ণু ডেকা আৰু প্ৰদীপ কুমাৰ ৰাভাক প্ৰদান কৰা হয়। এই সভাতে বিজয়ী প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়। সভাৰ আৰম্ভণিতে নৰ্থ-ইষ্ট পাব্লিক স্কুলৰ শিক্ষয়িত্ৰী মনিষা ডেকাৰ তত্ত্বাৱধানত ২০ গৰাকী চেমনীয়া ছাত্ৰ-ছাত্ৰীয়ে চিৰ চেনেহী গীতটো পৰিৱেশন কৰে। আদৰণি সমিতিৰ সভাপতি অনন্ত ৰাভাই আদৰণি ভাষণ পাঠ কৰি অভ্যাগত সকলক উষ্ম আদৰণি জনায়। বিশিষ্ট বিজ্ঞানী ড° অৰূপ কুমাৰ মিশ্ৰই




তেখেতৰ ৩৫ মিনিট যোৱা ভাষণত তত্ত্বগধূৰ ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথি ড° দিগন্ত বিশ্ব শৰ্মাই ঋগ বেদৰ পৰা তথ্য সম্বলিত উদ্ধৃতিৰে এক গাম্ভীৰ্যপূৰ্ণ্য ভাষণ আগবঢ়ায়। ধীৰেন শৰ্মা, প্ৰমোদ কলিতা, প্ৰকাশন পৰিষদৰ সচিব আগন্তুক অসম সাহিত্য সভাৰ পঞ্চৰত্ন— দ্বিবাৰ্ষিক বিশেষ অধিৱেশনৰ সভাপতি ড° হীৰালাল বড়াই ওদালবাক্ৰা সাহিত্য সভাই আয়োজন কৰা এই ৰূপালী জয়ন্তী সমাৰোহ অসম সাহিত্য সভাৰ অন্যান্য শাখাবোৰেও অনুকৰণ কৰিবলগীয়া পদক্ষেপ বুলি কোৱাৰ লগতে আগন্তুক অসম সাহিত্য সভাৰ অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোকে বিনম্ৰতাৰে আহ্বান জনায়। মুকলি সভাত ওদালবাক্ৰা সাহিত্য সভা পত্ৰিকাখনৰ লগতে নৰেন ডেকা, প্ৰসন্ন দত্ত, তিলোত্তমা দত্ত, নৰেন বৰ্মন আৰু বিমলা বৰ্মন আৰু দীপামণি গোস্বামীৰ একাধিক গল্প, প্ৰবন্ধ আৰু কবিতা পুথি উন্মোচন কৰা হয়। সন্ধিয়া ৬ বজাত সভাপতি নৰেন ডেকাৰ বহুমূলীয়া সভাপতিৰ মন্তব্যৰে ৰূপালী জয়ন্তী অধিৱেশনখন সকলোৰে ঐকান্তিক প্ৰচেষ্টাত সফল সমাপ্তি হোৱা বুলি ঘোষণা কৰি সভা ভংগ কৰে।

# অসমৰ জনপ্ৰিয় গায়ক গীতাৰ্থ গিৰিনৰ সৈতে এক অন্তৰংগ আলাপ

অসমীয়া শ্ৰব্য কেছেট, ভিডিঅ এলবাম, মঞ্চ, ধাৰাবাহিক আদিত কণ্ঠদান কৰা অসমৰ জনপ্ৰিয় গায়ক গীতাৰ্থ গিৰিনৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

**■ অসমৰ সংগীত জগতলৈ তোমাৰ প্ৰৱেশ কেনেকৈ হৈছিল?**

**গীতাৰ্থ গিৰিন ঃ** গীতৰ প্ৰতি মোৰ ধাউতি হৈছিল প্ৰায় ২০০০ চন মানৰ পৰা। মোৰ তিনি চাৰি বছৰ মান বয়সতে গীতৰ প্ৰতি ধাউতিটো জাগিছিল। মোৰ মা দেউতাই গান শুনি ভাল পাইছিল। মোৰ খুৰা, বৰদেউতা মানে আমাৰ দেউতাৰ সাতজন ভাই-ককাই গীতৰ লগত জড়িত। মোৰ এজন বৰদেউতাই ৰেডিঅ' চেন্টাৰতো গীত পৰিৱেশন কৰিছিল। প্ৰথমে মই বৰদেউতাৰ হাৰমনিয়ামখনতে আঙুলি বোলাইছিলো। মোৰ জন্মস্থান নগাঁৱৰ উজনা গাঁৱত। উজনা গাঁৱৰ লাইব্ৰেৰী, পাখীমৰিয়া জাতীয় বিদ্যালয়ত পঢ়ি থাকোঁতে গান গাইছিলোঁ। নগাঁৱৰ ওচৰে-পাজৰে অঞ্চলভিত্তিক অনুষ্ঠিত হোৱা জ্যোতি সংগীত, ৰাভা সংগীতৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলোঁ। তেনেকৈয়ে প্ৰথম আৰম্ভণি। প্ৰথম মোৰ শ্ৰব্য কেছেট আছিল 'মাকু' বুলি এখন এলবাম। ২০১৭ চনতে এই এলবামখনে মুক্তিলাভ কৰিছিল। পাঁচটা গীতৰ সংকলন আছিল সেই কেছেটটো। সেই সময়ত Digital ৰ প্ৰভাৱ থকাৰ পিছতো আমি কেছেটৰ সংকলন কৰিছিলো। কিন্তু মোৰ প্ৰথম গোৱা গীতটো বুলি যদি আপুনি সোধে তেতিয়াহলে 'হে কাঞ্চি' বুলি এটা গীত কৰিছিলো। এই গীতটো মই নিজে লিখা আৰু নিজে সুৰ কৰা। লগত জিযুং টেৰণ বুলি দাদা এজনে সহায় কৰিছিল। সংগীত পৰিচালনা ছেমুৱেল বৰাই কৰিছিল। এয়া ২০১২-১৩ চন মানৰ কথা। গুৱাহাটীৰ অৰেঞ্জ ষ্টুডিঅ'ত ৰেকৰ্ডিং হৈছিল। তাৰপিছত 'দেহাজান' বুলি এটি গীত ভিডিঅ' কৰিছিলো। এই গীতটো ৰকিবুল হাচানে লিখা। এই গীতটো ২০১৪-১৫ চন মানত ৰেকৰ্ডিং কৰা। সংগীত পৰিচালনা শেখৰ গোস্বামীৰ। এই ভিডিঅ'টোত অভিনয় কৰিছিল টিংকু বৰা আৰু অমৃতা গগৈয়ে। ভিডিঅ'টো চিকন্দৰ পাচোৱানে ৰেকৰ্ডিং কৰা।

**■ সংগীত জগতলৈ অহাৰ ক্ষেত্ৰত তোমাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। তোমাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কোৱাচোন?**

**গীতাৰ্থ গিৰিন ঃ** মোৰ দেউতাৰ নাম শ্ৰীভূপেন বৰা আৰু মাৰ নাম শ্ৰীমতী ৰূপালী কেওঁট। সংগীত জগতলৈ অহাৰ ক্ষেত্ৰত মা-দেউতাৰ যথেষ্ট অৰিহণা আছে। সঁচা কথা ক'বলৈ গ'লে আমি ভগা জুপুৰীৰ পৰা অহা আৰু আজিৰ তাৰিখত পকীঘৰত আছোঁ। এয়া প্ৰায় ২৫-২৬ বছৰৰ এক দীঘলীয়া যাত্ৰা। য'ত মা-দেউতাৰ যথেষ্ট ঘাত-প্ৰতিঘাত, ত্যাগ আৰু কষ্ট সোমাই আছে। মোক হাৰমনিয়াম কিনি দিয়া, যিকোনো সংগীতৰ প্ৰতিযোগিতালৈ লৈ যোৱা, আৰ্থিকভাৱে সহায় কৰা এই দিশসমূহত মা-দেউতাৰ যথেষ্ট অৰিহণা আছে। মা-দেউতাৰ যথেষ্ট মৰম, চেনেহ, আবদাৰত মই ডাঙৰ দীঘল হৈছোঁ। সেইবাবে মা-দেউতাৰ ওচৰত মই চিৰকৃতজ্ঞ।

**■ সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই তোমাক চিন্তিত কৰে?**

**গীতাৰ্থ গিৰিন ঃ** নতুন প্ৰজন্মৰ বিষয়ে ক'বলৈ হ'লে বহলভাৱে ক'ব লাগিব। আমাৰ অসমত ভাল গায়ক, গীতিকাৰ, সুৰকাৰ আছে যদিও আজিৰ তাৰিখত এনে পৰিস্থিতি সৃষ্টি হৈছে যে গীতৰ মাদকতা অলপ ম্লান হৈছে বুলি অনুভৱ কৰো। আমি হেঁপাহত কিছু কাম কৰিলেও মানুহৰ ওচৰ নাপায়গৈ। জুবিন গাৰ্গ আমাৰ Generation Idole. জুবিন গাৰ্গে গীতৰ যি এক সুকীয়া ধাৰা সৃষ্টি কৰি থৈ গৈছে সেয়া আজিৰ প্ৰজন্মৰ বহু শিল্পীৰ মাজত নাই। দ্বিতীয়তে গায়কৰ গীতৰ প্ৰতিভাতকৈ Show টোক বেছি গুৰুত্ব দিয়া দেখা যায়। মোৰ মতে প্ৰতিভাক বেছি প্ৰাধান্য দিয়াটো ভাল।

**■ তোমাৰ অসাধাৰণ সংগীত প্ৰতিভাৰ বাদে সাহিত্য, ক্ৰীড়া বা অন্য কোনো বিষয়ত তোমাৰ ৰুচি আছে নেকি?**

**গীতাৰ্থ গিৰিন ঃ** মই কিতাপ পঢ়ি ভাল পাওঁ। এজন মানুহৰ ভাল বন্ধু বুলি ক'বলৈ হ'লে কিতাপেই ভাল বন্ধু। মই Class vi, vii মানৰ পৰা ৰঞ্জু হাজৰিকাদেৰৰ কিতাপ পঢ়ি ভাল পাইছিলোঁ।

**■ অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি তুমি ভাবা নেকি?**

**গীতাৰ্থ গিৰিন ঃ** অকল শিক্ষা সংস্কৃতি বুলি নহয় তাত ভাষাটোও আহি লাগিব। এটা জাতি জীয়াই থাকিবলৈ ভাষা লাগিব। সংস্কৃতিটো লাগিবই। সংস্কৃতিৰ পিছত ধৰ্মটো আহিব। মানুহৰ প্ৰথম ধৰ্মই হৈছে মানৰ ধৰ্ম।

**■ গায়ক নোহোৱা হ'লে তুমি কোনটো পেছা বৃত্তি হিচাপে বাচি ল'লাহেঁতেন?**

**গীতাৰ্থ গিৰিন ঃ** মই তেনেকৈ ভবাই নাছিলোঁ। গীতৰ বাদে বৃত্তি বা কিবা বিশেষ একো ভবা নাছিলোঁ।

**■ তোমাৰ প্ৰিয় খাদ্য?**

**গীতাৰ্থ গিৰিন ঃ** প্ৰিয় খাদ্য বুলি ক'লে ঘৰুৱা অসমীয়া জুতিৰ খাদ্যই ভাল লাগে। ভাতৰ লগত কচু, ঢেঁকীয়া আদি ব্যঞ্জন সকলোখিনিয়েই মোৰ প্ৰিয়।

**■ তোমাৰ প্ৰিয় ৰং?**

**গীতাৰ্থ গিৰিন ঃ** নীলা, কলা আৰু বগা ৰঙ মোৰ প্ৰিয়।

**■ তোমাৰ প্ৰিয় শব্দ কি?**

**গীতাৰ্থ গিৰিন ঃ** প্ৰিয় শব্দ মোৰ এটা নহয় কেইবাটাও (অলপ হাঁহি)। তাৰভিতৰত প্ৰথম প্ৰিয় শব্দটো হল সংগীত, দ্বিতীয় প্ৰিয় শব্দটো হ'ল সপোন আৰু তৃতীয় প্ৰিয় শব্দটো হ'ল সাধনা। সকলো বৰ্ণৰ ভিতৰত 'স' টো মোৰ প্ৰিয় বৰ্ণ। সৰে যিমান শব্দ সৃষ্টি হয় সেই সকলো শব্দই মোৰ প্ৰিয়।

**■ তোমাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন?**

**গীতাৰ্থ গিৰিন ঃ** হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা নৱাজুদ্দিন ছিদ্দিকি, মনোজ বাজপেয়ী, পংকজ ত্ৰিপাঠী, শ্বাহৰুখ খান আৰু প্ৰিয় অভিনেত্ৰী ভিতৰত মাধুৰী দীক্ষিত, ঐশ্বৰ্য্য ৰায় বচ্চন, আলিয়া ভাট। পুৰণা হিন্দী চিনেমাৰ অভিনেতাৰ ভিতৰত অমিতাভ বচ্চন মোৰ প্ৰিয়। অসমীয়া ছবি জগতৰ ভিতৰত যতীন বৰা, মৃদুলা বৰুৱা বাইদেউৰ অভিনয় ভাল লাগে। পুৰণা অভিনেতাসকলৰ ভিতৰত এজন ব্যক্তিক লগ পোৱাৰ হেঁপাহ এটা থাকি গ'ল সেইজন হ'ল অভিনেতা বিষ্ণু খাৰঘৰীয়া চাৰ। তেওঁৰ মই বহুত বেছি অনুৰাগী। তেখেতক মই খুব বেছি শ্ৰদ্ধা কৰো আৰু এজন বিশেষ ব্যক্তিক লগ পোৱাৰ ইচ্ছা আছিল দুৰ্ভাগ্যবশতঃ তেওঁ বৰ্তমান আমাৰ মাজত নাই। তেখেত হ'ল অসমীয়া ছবি জগতৰ এক চিনাকি নাম স্বৰ্গীয় বিজু ফুকন।

**■ তোমাৰ জীৱনৰ স্মৰণীয় এটা ঘটনাৰ বিষয়ে অলপ কোৱাচোন?**

**গীতাৰ্থ গিৰিন ঃ** মোৰ বৰ্তমান বয়স ৩০ বছৰ। আমাৰ প্ৰজন্মৰ গায়ক মানে মোৰ এটা মন আছিল জুবিন দাক ওচৰৰ পৰা লগ পোৱা আৰু একেলগে কথা পতাৰ মন আছিল। সেই মুহূৰ্তটো আহিছিল মোৰ কাৰণে ২০১৬ চনত। মই, পলাশ দা আৰু অজয় ফুকন দাৰ লগত গুৱাহাটীৰ খাৰঘুলিত জুবিন দাৰ যিটো ষ্টুডিঅ' আছিল, এতিয়া সেই ষ্টুডিঅ'টো ভাঙি দিলে। মই থিয়েটাৰৰ গীতসমূহৰ ৰেকৰ্ডিঙৰ বাবে প্ৰায়ে পলাশ দা আৰু অজয় দাৰ লগত সেই ষ্টুডিঅ'টোলৈ গৈছিলোঁ। এদিন তালৈ যাওঁতে জুবিন দা অকলে আছিল। কাঞ্চনজংঘা ছবিৰ শ্বুটিঙৰ আগত সেইদিনা গোটেই নিশা জুবিন দাৰ লগত আমি কথা পাতিছিলো। সৌভাগ্যক্ৰমে সেইদিনা মই, পলাশ দা, অজয় দা আৰু জুবিন দায়ে একেলগে নিশাৰ আহাৰ গ্ৰহণ কৰিছিলো। ভাত খোৱাৰ সময়ত জুবিন দায়ে পাকঘৰৰ পৰা মোক মাতিছিল যে অই গীতাৰ্থ ভিতৰলৈ আহ ভাত লহি। আমি ভাত খাই থাকোঁতে জুবিন দায়ে নিজৰ থালৰ পৰা চিকেনৰ টুকুৰা এটা মোক দি কৈছিল হো, ল মই ইমান বেছি খাব নোৱাৰোঁ। এইটো মোৰ বাবে এক চিৰস্মৰণীয় ঘটনা আছিল। সেই মুহূৰ্তটো মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ।

**■ তোমাৰ আদৰ্শ ব্যক্তি?**

**গীতাৰ্থ গিৰিন ঃ** আদৰ্শ ব্যক্তি বুলি যদি মই চাবলৈ যাওঁ তেতিয়াহ'লে মায়ে মোৰ আদৰ্শ। ইয়াৰ পিছত বাহিৰলৈ চালে মোৰ আদৰ্শ ব্যক্তি অৰণ্য মানৰ যাদৱ পায়েং।

**■ জীৱন সম্পৰ্কে তোমাৰ অভিমত?**

**গীতাৰ্থ গিৰিন ঃ** বৰ গভীৰ প্ৰশ্ন। জীৱন বিষয়টোৰ ওপৰত আমি আজিৰ তাৰিখতো Analysis কৰিয়েই আছোঁ। জীৱনটো মোৰ দৃষ্টিভংগীত আচলতে এখন খুব ধুনীয়া যুদ্ধ। মানুহে জীৱনত সদায় জিকিবলৈ চেষ্টা কৰে আৰু কিবা কাৰণে হাৰি গ'লেও জিকি থকাটো আমাৰ বাবে অত্যন্ত জৰুৰী। যেতিয়ালৈকে জীয়াই আছো মানুহৰ বাবে ভাল চিন্তাই কৰি যাম।




*সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# সত্ৰ আয়োগৰ চূড়ান্ত প্ৰতিবেদনৰ আধাৰত বেদখলকৃত সত্ৰৰ ভূমি শীঘ্ৰে মুক্ত কৰাৰ দাবী সত্ৰ মহাসভাৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ গুৰু দুজনাই সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠাৰে অসমীয়া জাতীয় জীৱনক সাহিত্য-সংস্কৃতিৰে সমৃদ্ধ কৰি বৰ অসমৰ ভেটী সুদৃঢ় কৰাৰ লগতে অসমীয়া জাতিক যি দৰে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিলে সেই সত্ৰসমূহ বৰ্তমান অস্তিত্বৰ সংকটত ভুগিছে। কিছু বছৰ ধৰি অসমীয়া জাতিৰ স্বাভিমান এই সত্ৰসমূহৰ ভূমি একাংশ পমুৱা মুছলমান লোকে অবৈধভাৱে দখল কৰি সত্ৰৰ ভূমি ভোগ দখল কৰাৰ লগতে ঘৰ-বাৰি সাজি বসবাস কৰি আহিছে। বিগত সময়ৰ কংগ্ৰেছ চৰকাৰৰ শাসন কালত সত্ৰৰ ভূমি দখল কৰিবলৈ বেদখলকাৰীসকলে এক অঘোষিত প্ৰতিযোগিতাতহে নামি পৰা দেখিবলৈ পোৱা গৈছিল। তথাপি সেই সময়ৰ চৰকাৰে এই বিষয়টোৰ প্ৰতি কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাছিল।' - এই অভিযোগ অসম সত্ৰ মহাসভাৰ। উল্লেখ্য, অসম চৰকাৰে যোৱা ২০২৩ চনতে বিধায়ক প্ৰদীপ হাজৰিকাক অধ্যক্ষ আৰু ৰূপক শৰ্মা, মৃনাল শইকীয়াক সদস্য হিচাপে লৈ গঠন কৰি দিয়া অসম সত্ৰ আয়োগে যোৱা ৯ জুন তাৰিখে বেদখলকৃত সত্ৰসমূহৰ বিষয়ে তথ্য সহকাৰে যি চূড়ান্ত প্ৰতিবেদন মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰিছে। সেই কাৰ্যক অসম সত্ৰ মহাসভাৰ লগতে পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাইও আদৰণী জনাই আয়োগক ধন্যবাদ জ্ঞাপন কৰিছে। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি অৰূপ কুমাৰ গোস্বামী, কাৰ্যকৰী সভাপতি থগিত মহন্ত আৰু সম্পাদক মাণিক বৰাই অসমৰ স্বাভিমান এই সত্ৰসমূহৰ বেদখলকৃত ভূমিসমূহ শীঘ্ৰে বেদখলকাৰীৰ কবলৰ পৰা উদ্ধাৰ কৰি সংশ্লিষ্ট সত্ৰসমূহৰ পৰিচালনা সমিতিৰ হাতত অৰ্পণ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। ইফালে, নগাওঁ জিলা সত্ৰৰ ভূমি উদ্ধাৰ আৰু জৰীপ সমিতিৰ সভাপতি ইন্দ্ৰমোহন বৰুৱা, সম্পাদক মাণিক বৰাৰ লগতে উপদেষ্টাদ্বয় সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামী আৰু অম্লান জ্যোতি দেৱ গোস্বামীয়েও সত্ৰৰ বেদখলকৃত ভূমিসমূহ শীঘ্ৰে উদ্ধাৰ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।

# বঙাইগাঁৱৰ থানাৰ ভিতৰত মৃত অৱস্থাত উদ্ধাৰ আৰক্ষী জোৱান



**বঙাইগাঁও ঃ** বঙাইগাঁও জিলাৰ মেৰচাৰ থানাৰ চৌহদৰ ভিতৰত বুধবাৰে পুৱা এজন আৰক্ষী জোৱানক মৃত অৱস্থাত উদ্ধাৰ হয়। জানিব পৰা মতে, কৰ্তব্যৰত অৱস্থাতে মৃত্যুক সাৱটি লয় আৰক্ষী জোৱানগৰাকীয়ে। স্থানীয় ৰাইজে জনোৱা মতে, থানা চৌহদৰ ভিতৰত ওলমি থকা অৱস্থাত তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। সেয়েহে তেওঁৰ মৃত্যু আত্মহত্যা বুলি সন্দেহ কৰিছে স্থানীয় ৰাইজে। ইতিমধ্যে, আৰক্ষীৰ জ্যেষ্ঠ বিষয়াসকলে ঘটনাস্থলীত উপস্থিত হৈছে। মৃত্যুৰ প্ৰকৃত কাৰণ জানিবলৈ আনুষ্ঠানিক তদন্ত আৰম্ভ কৰা হৈছে। শীঘ্ৰে মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ সম্ভাৱনা আছে।

## বৰফৰ তেজ

**বিতোপন গগৈ**
শিমলুগুৰি

শত্ৰু, শত্ৰু,
নীলাকাশত ড্ৰোণ
ভালপোৱা সেউজীয়াবোৰত
কাৰ অধিকৃত সপোন
জেওৰা পাৰ হৈ আহে
বীজাণু বতাহৰ ঢৌ...
আক্ৰমণ, আক্ৰমণ,
মসৃণ আশাৰ বাটত
কাঁইটৰ পুলি ৰুই
সিহঁতে মানচিত্ৰ আঁকে
মোৰ বুকুৰেদি বৈ যোৱা
জিলমিল প্ৰেমৰ নদীত
উটুৱাই দিয়ে সৈনিকৰ শ
বৰফৰ গোটমৰা তেজ।
আক্ৰমণ, আক্ৰমণ।

এতিয়া ঘৰৰ ঠিকনা নাই
আইক শেলে বিন্ধিছে
হাবিত জুই লাগিছে
স্কুলবোৰত মাৰণাস্ত্ৰ সাজিছে
নেতাবোৰে সঘনে
ফুচফুচাই পাতিছে
সলনি হৈছে কবিতাৰ পোচাক...
শইচৰ পথাৰত কাণতালমৰা শব্দ
দুবৰিত কাৰ মাংসপিণ্ড।

নিজানত তৰাৰ উচুপনি
চিৰিয়াখানাৰ সিংহজাক
আছে গুজৰি-গুমৰি
কাক লাগে তেল আৰু ভূমি
আক্ৰমণ, আক্ৰমণ।
অপমান, অপমান
কি পৰমাণু বিজ্ঞান
তলাবন্ধ সংবিধান।

**ম'বাইল ঃ ৯৩৬৫১-৬৮৮০৬**

## সিদ্ধান্ত

**সবিতা বেগম**
বৰপেটা

ক্ৰমান্বয়ে,
নুমু নুমু কৰিও মমডাল
জ্বলি আছিল কোনোমতে
মই সাঁচাকৈয়ে নাজানো....
মই সাৰিলো নে জিকিলো।
তেওঁৰ স্বাক্ষৰিত চুক্তিবোৰ
ঠিক কি আছিল
মোৰ ভাবে...।
ইতিহাসৰ প্ৰথমৰ পৰা তালিকাভুক্ত
পৃষ্ঠাবোৰ পঢ়িবলৈ
একেবাৰেও জটিল নাছিল
যদিও জ্যামিতিবোৰ কঠিন যেন
অনুভৱ...।
কল্পনাবোৰ সদায়
ৰূপ কথাৰ পৃথিৱী
যদিহে শব্দহীন অপ্ৰকাশ
নিজতেই আবদ্ধ...।
মুক্ত আকাশত বেৰঙীন
অসৌন্দৰ্য কুৎচিত ৰ'দে পুৰা
বিদ্ৰূপৰ অলেখ কুটিল ভাষ্য
অৱশেষত কলংকিত এটি গল্প...।
অনায়াসে বহুতে সুৰুয পালে
ব্ৰহ্মপুত্ৰৰ বুকুত নাৱ ভটিয়াই
ময়ো পিছে পিছে মেলিলোঁ তৰি
কপাল গুণে মই বিধ্বস্ত
আহত বাঘৰ দৰে
চিকাৰীৰ জালত বন্ধি
চাৰ্কাছৰ অৱৰূপ...।
এক চেকেণ্ডৰ জীৱন
তথাপি...।
বাৰে বাৰে মই পথহীন অক্ষম
মূৰ ভাঙি চুলি এডাল লৰাবলৈ
সিদ্ধান্ত যে তেওঁৰ।

## ৰ'দৰ অংক

**জ্যোতিস্মিতা বৰা**

এখন তুলাচনী -
এফালে অৰণ্য এফালে তাপ
তাপৰ ওজন নাছিল...
এটি বৃহৎ শূণ্যৰ লগত পূৰণ কৰি
অৰণ্যৰ মান হ'ল শূণ্য।

শূণ্য -
আঁতৰৰ পৰা দেখা বিন্দু এটি
এডাল ৰেখাও হ'ব পাৰে
এটি বৃত্তও হ'ব পাৰে
কিন্তু সেই শূণ্যত সোমাই আছিল
উন্নয়ন নামৰ নাটকৰ সংলাপ

প্ৰথম সংলাপ -
মানুহ থাকিলেহে বস্তুৰ দৰ বাঢ়ে
অৰণ্য থাকিলে নহয়
বস্তুৰ দৰতেই হেনো লুকাই থাকে প্ৰগতি।

আৰু আজি সেই কাগজক ৰ'দে পুৰিছে
অৰণ্যৰ অভিশাপত,
উন্নয়নৰ নাটক কৰিবৰ বাবে মানুহবোৰ কমিব লাগিছে।

## ওঁঠ

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

এটি বৰ্ণময় শব্দ ওঁঠ
য'ত আছে অমল যাদুসনা মায়া
য'ৰ পৰা ওলাই আহে
নিস্পাপ দেৱ শিশুৰ 'মা' বোলা শব্দ।
যৌৱনপ্ৰাপ্ত ডেকা-গাভৰুৰ ওঁঠেৰে
নিগৰি আহে মিঠা মৌসনা বাক্য -
'মই তোমাক ভাল পাওঁ',
ফুচফুচীয়া মৰমৰ কথা পাতে
শীতৰ উমাল ৰাতি
ওঁঠে ওঁঠে স্পৰ্শী আঁকি দিয়ে
মৰমৰ চুমা আপোনজনে
আপোনজনক।
দুটি ওঁঠে দুটি ওঁঠক
যাচিব নোৱাৰিলে চেনেহৰ চুমা
নোৱাৰে থাকিব শান্তিৰে মৰমী হিয়া -
ওঁঠ বৰ্ণময় কোমল মায়াময় যাদুসনা।

**ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮**

## অবাঞ্চিত ধুমুহাৰ বাতৰি

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

হিয়াখনত ঘাঁ লগাকৈ
শব্দৰ মুকুতা ছবিখনত
চকুত চেৰাপুঞ্জী সিঁচি
কিয় যোৱা আঁতৰি?
কামনা কোনোদিনে
কৰা নাছিলোঁ
অবাঞ্চিত ধুমুহাৰ বাতৰি।

যোগ্য আছিলোঁ জানো
প্ৰতাৰণা হৃদয়ৰ
গৰাকী,
জুৰ মলয়াত খবৰ ল'বলৈ
আহৰি আছিল জানো
এই সোণপাহীৰ
কলিজাটি?
সুখে দুখে লগত থকাৰ
প্ৰতিশ্ৰুতি দিয়াৰ পাছতো
কিয় সজালা
সন্দেহৰ পঁজাটি।

কোনোদিনে নিবিচাৰোঁ
অবাঞ্চিত ধুমুহাৰ
বাতৰি
ধুমুহাৰ বাতৰি।

## বিষ্ণু ৰাভা

**বুলমণি বৰি**

জন্ম ১৯০৯ চন ৩১ জানুৱাৰী
কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ,
নৃত্যবিদ, অভিনেতা, স্বাধীনতা সংগ্ৰামী, মুক্তি যুঁজাৰু
সৃষ্টিকৰ্তাৰ অপূৰ্ব সৃষ্টিৰে
অসমী আইৰ মহান সন্তান
অক্ষয় প্ৰতিভা, সৰ্বগুণৰ অধিকাৰী তুমি
অভ্ৰভেদী বীৰ।

পূৰ্ণ জন্ম সাধনাৰে জীৱন যুদ্ধত
সৰ্বহাৰা জনতাৰ মুক্তিৰ হকে
দৰিদ্ৰ নিষ্পেষিত জনৰ বাবে মাত মাতি
স্বাধীনতা আমাৰ প্ৰাপ্য বুলি কৈ
অধিকাৰ বিচাৰি
নাম ললা বিপ্লৱী ৰাভা।

বিপ্লৱৰ নিচান উৰুৱাই জনসমৰ্থনেৰে
সুৰেৰে সংগীতৰ ঝংকাৰ তুলি
জনসাধাৰণক একত্ৰিত কৰি
গাইছিলা মুকুতিৰ গান
শাসকে ৰাষ্ট্ৰদ্ৰোহৰ মিছা অভিযোগত
গ্ৰেপ্তাৰ কৰি কণ্ঠৰুদ্ধ কৰিছিল।

কলা কৃষ্টিৰ সুন্দৰ প্ৰদৰ্শনেৰে
সকলোৰে মন জয় কৰি
অসমবাসীক দি গ'লা নৱআলোকৰ জ্ঞান
সমন্বয়ৰ সেতু বিচাৰি
জাতপাতৰ প্ৰাচীৰ ভেদি
একেডাল সূতাৰে মালা গাঁথি
সকলোকে একাকাৰ কৰি
গঢ়িছিলা অসমীয়া জাতি।

সাহিত্যৰ বিশাল পথাৰখনত কৰ্ষণ কৰি
জ্ঞানেৰে ভৰালা ভঁৰাল
স্বজাতিৰ বাবে তুমি যেন
মাটিৰ বক্ষ বিদাৰি গভীৰ সেউজীয়া
আকাশসদৃশ সুবিশাল বটবৃক্ষৰ ছাঁ।

জীৱন আছিল সীমাহীন দুখ যন্ত্ৰণাৰে ভৰা
বিবাহৰ ২৮ দিনৰ পিছত পত্নীৰ মৃত্যু
শোকবিহ্বল হৈ তাৰেই সৃষ্টি
পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা
পূৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা
গাৰ নোম শিয়ৰি উঠা গীতৰ অলঙ্কাৰ।
১৯৬৯ চনৰ ২০ জুন তাৰিখে
জীৱন নাটৰ যৱনিকা পেলাই
তোমাৰ মহাপ্ৰস্থান।
তোমাৰ মহাপ্ৰস্থানৰ অনুৰণণে
অসমীয়াৰ হৃৎপিণ্ডৰ স্পন্দন হৈ
ধ্বনি দি থাকিব চিৰদিন, চিৰকাল।

**ম'বাইল ঃ ৯৮৬৪৬৮-০৪৬৯**

## মোৰ শপত আহিবা এদিন

**পূৰৱী বৰুৱা ফুকন**
সোণাৰি, চৰাইদেউ

প্ৰতিদিনাই তোমাক লগপোৱাৰ হেঁপাহ জাগে
প্ৰতিদিনাই আশাই নতুনত্ব আনে
প্ৰতিদিনাই তোমাৰ মিচিকিয়া হাঁহিটোৱে
মোৰ ডুখৰীয়া কলিজাটো মুচৰি মাৰে
তোমাক যে বহুত দিন লগ পোৱা নাই
আহিবাচোন এদিন নৈ পাৰত বহিম
শব্দৰ হিৰন্ময়ী আবেশৰ ৰাগীত
শীতৰ ৰৌদস্নাতা কোমল আবেলিটোত
আবেগৰ বৰষুণত জুৰুলি জুপুৰিকৈ তিতিম
মোৰ শপত আহিবা এদিন
তুমি আহিলে মৰা নৈয়ে প্ৰাণ পাব
খৰাং বুকুখনো বাৰিষাৰ বৰনৈ হ'ব
আহিবাচোন এদিন জীৱন সুঁতিৰ
ঘূণেখোৱা সাঁকোডাল ন-কৈ সাজিম
মোৰ শপত আহিবা এদিন।

## আত্মধ্বনি

**সংগীতা ডেকা,** ৰঙিয়া

প্ৰাণৰ ভগ্নাংশ বুটলি
ভাগৰি পৰিছিল এটুকুৰা নিৰ্লিপ্ত পৃষ্ঠাই...
মিছা মায়াত বন্দী হৈ,
ছাঁয়াৰ পিছত কিমানযে দৌৰি ফুৰিছিল
আপোন শব্দবোৰ বিচাৰি...
বেজাৰ লাগে যদিও, আকৌ প্ৰচেষ্টা চলায়
এপল সৰি পৰে, এপল ফুলি উঠে
সেই এপল দুপলকৈ উঠা নমাবোৰো,
নীৰৱেই চলি থাকে...
আকৌ 'বিচৰণ' আৰম্ভ হয়
তেনেকুৱা এটি সন্ধিক্ষণত,
তাক ময়েই সাৱটি লওঁ
নিজৰ বগী ঘৰত সজাওঁ বুলি।
উক্ত পৃষ্ঠাটিয়ে প্ৰতি উপহাৰত
মোকো এটি পৃষ্ঠা দি যায়
আত্মধ্বনিৰে - 'জীৱনৰ গানত
পৰাণৰ সুৰৰ মূৰ্চ্ছনা তুলি
বিচাৰিছোঁ ছন্দ,
জীৱনৰ।'

**ম'বাইল ঃ ৯১০১০-১১৮৬৫**

## তুমি

**মেৰী বৰদলৈ**
নগাঁও

পশ্চিমৰ হেঙুলীয়া
আকাশৰ কোলাত
অস্তগামী বেলিটিলৈ চাই
কৈছিলা তুমি
কিবা এটা
লিখা বুলি
পাৰিম জানো লিখিবলৈ
মইতো নহয় কবি
তোমাৰ বুকুৰ পিয়াহ
গুচাব পৰাকৈ
এটি কবিতা
সেয়ে নক'বা দেই
কিবা এটা লিখা বুলি
আবেলিটো কোলাত বহি
কৈছিলা তুমি
কিবা এটা
লিখা বুলি
মই জানো কবি..?
তথাপিও কওঁ শুনা
তুমিয়েই মোৰ
এই পদ পথৰ
অন্তহীন এটি সৰগৰীয়
সুকোমল প্ৰেমৰ
কবিতা...
আৰুতো বিশেষ
নাজানো জানা
সেয়ে কওঁ
নক'বা কোনোকালে
কিবা এটা লিখা বুলি...।

## আন্ধাৰ

**ৰীতা কলিতা**

মই আন্ধাৰ ভালপাওঁ
মই আন্ধাৰ ভালপাওঁ,
আন্ধাৰ মোৰ চিৰ লগৰী।
প্ৰতিটো নৱপ্ৰভাতে লৈ আনে এটি
নতুন দিন, দিনৰ পিছতেই আৰম্ভ হয়
এটি নতুন আন্ধাৰ ৰাতি
মই ৰাতিৰ আন্ধাৰত মোৰ
দুখবোৰ লুকুৱাই হিয়া উজাৰি
কান্দিব পাৰো।
ৰাতিৰ আন্ধাৰৰ নিৰ্জনতাৰ মাজত
কোনেও নুশুনে কান্দোনৰ ৰোল।
প্ৰতিটো ক্ষণৰ সাক্ষী হয় মাথোঁ
শিতানৰ গাৰু।
পুনৰ আৰম্ভ হয় এটি নৱ প্ৰভাত
নৱ প্ৰভাত মানে আগমণ হয়
এটি নতুন আন্ধাৰ ৰাতিৰ।

প্ৰথম পৃষ্ঠাৰ পৰা

## ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ বিস্ফোৰণৰ ঘটনাত

অধ্যক্ষৰ সৈতেও ঘটনাটো সন্দৰ্ভত আলোচনা কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অঞ্চলবাসীৰ এই দুখৰ সময়ত ৰাজ্য চৰকাৰে তেওঁলোকৰ ওচৰত থিয় হৈ থাকিব আৰু সম্ভৱপৰ সকলো প্ৰকাৰৰ সহায়ৰ হাত আগবঢ়াব। প্ৰভাৱিত অঞ্চলটোৰ জনসাধাৰণৰ ওচৰলৈ ৰাজিক মন্ত্ৰীসভাৰ সদস্যসকল নিয়মীয়াকৈ আহি তেওঁলোকৰ অৱস্থাৰ বুজ লৈ থাকিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই পৰিদৰ্শনৰ সময়ত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী কৌশিক ৰয়, বিধায়ক অখিল গগৈ, সুশান্ত বৰগোঁহাইৰ উপৰি উচ্চপদস্থ বিষয়াবৰ্গ আৰু অ' এন জি চিৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## দুলীয়াজান বিধানসভা সমষ্টিৰ উন্নয়নমূলক কাম

নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি, তেওঁ সমষ্টিটোৰ উন্নয়নৰ অৰ্থে কেইবাখনো আঁচনি অনুমোদন জনায়। দুলীয়াজান সমষ্টিটোত লোকনিৰ্মাণ পথ আৰু গৃহ, জলসম্পদ, জলসিঞ্চন আৰু শক্তি বিভাগৰ মুঠ ৮৭টা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰ কাম চলি আছে। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বিতং বুজ লয় আৰু দ্ৰুত ৰূপায়ণৰ দিশত যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে ২০২২চনৰ ডিচেম্বৰ মাহত কৰা ডিব্ৰুগড় জিলা ভ্ৰমণৰ সময়ত অসম মালা ১.০ৰ জৰিয়তে মৰাণৰ পৰা নাহৰকটীয়া হৈ ডিগবৈ লৈ এটা পথ নিৰ্মাণৰ কথা ঘোষণা কৰিছিল। আজি তেওঁ সেই পথটোৰ নিৰ্মাণৰ অগ্ৰগতিৰ খতিয়ান লয় আৰু ভাদৈ পাঁচআলিৰ পৰা ডিগবৈ অংশ নিৰ্মাণৰ অৰ্থে পদক্ষেপ গ্ৰহণৰ দিশত আগবাঢ়িবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। প্ৰায় ১২কোটি টকা অনুমোদিত ধনৰাশিৰে দুলীয়াজানত লোকনিৰ্মাণ গৃহ বিভাগৰ দ্বাৰা এখন মিনি ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে ষ্টেডিয়ামখনৰ কাম দ্ৰুতগতিত আগবঢ়াবলৈ কয়। দুলীয়াজান আইটিআইৰ প্ৰশাসনিক ভৱন, শ্ৰেণীকোঠা, পুথিভঁৰাল আদিৰ কামো দ্ৰুততৰ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে চাহ বাগিচাসমূহত আদৰ্শ বিদ্যালয়সমূহ স্থাপনৰ ইতিবাচক ফল দেখিবলৈ পোৱা গৈছে। এনে বিদ্যালয়সমূহে আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাসত অৰিহণা যোগাইছে। ইয়াৰ পৰিপ্ৰেক্ষিততে তেওঁ নিৰ্মাণৰত চাহ বাগিচা আদৰ্শ বিদ্যালয়সমূহৰ কাম অহা ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ সমষ্টিটোত নিৰ্মীয়মান অৱস্থাত থকা ২১টা জগন্নাথ সমুহীয়া আৰু দক্ষতা কেন্দ্ৰৰ কামো নিৰ্ধাৰিত সময়সূচীমৰ্মে সম্পূৰ্ণ কৰিবলৈ কয়। তেওঁ জলসম্পদ বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা প্ৰকল্পসমূহৰ লগতে বুঢ়ীদিহিং, টিংৰাই, টিপলিং আৰু ডিগবৈ নৈৰ মথাউৰিসমূহৰ সাম্প্ৰতিক অৱস্থাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে দুলীয়াজান সমষ্টিৰ সকলোবোৰ গুৰুত্বপূৰ্ণ আঁচনি অগ্ৰাধিকাৰভিত্তিত ৰূপায়ণ কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জনস্বাস্থ্য, শিক্ষা, কৃষি আদি বিভাগৰ অধীনত চলি থকা প্ৰকল্পসমূহৰো অগ্ৰগতিৰ বুজ লয়। তদুপৰি, তেওঁ প্ৰধানমন্ত্ৰী আবাস যোজনা (গ্ৰামীণ)ৰ অধীনত সমষ্টিটোত এতিয়ালৈকে কিমান ঘৰ নিৰ্মাণ হ'ল, এই আঁচনিৰ নিৰ্ধাৰিত লক্ষ্য আৰু এই লক্ষ্য কিমান দুৰবাস্তৱত পূৰণ হ'ব সেই বিষয়েও আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে পঞ্চদশ বিত্তীয় আয়োগৰ অনুমোদিত আঁচনিৰ বিপৰীতে ৰূপায়িত আঁচনিৰ লগতে মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি (গ্ৰামীণ)ৰ অগ্ৰগতিৰ সন্দৰ্ভতো পৰ্যালোচনা কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত সমষ্টিটোত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা ৰূপায়ণৰ অগ্ৰগতিৰ লগতে আভা পৰিচয় পত্ৰ সৃষ্টিৰ তেওঁ খতিয়ান লয়। বিভাগটোৰ অধীনত সমষ্টিটোত ৰূপায়িত বিভিন্ন আঁচনিৰ লগতে টিকাকৰণ অভিযান, প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ, প্ৰাতিষ্ঠানিক প্ৰসৱৰ হাৰ আদিৰো তেওঁ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে সমগ্ৰ শিক্ষা অভিযানৰ অধীনত বিদ্যাৰ্থীৰ নিয়মীয়া উপস্থিতিৰ খতিয়ান লোৱাৰ লগতে এই সম্পৰ্কীয় পৰিসংখ্যাসমূহৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ্থীৰ উপস্থিতি বৃদ্ধিৰ বাবে যথোচিত পদক্ষেপ ল'বলৈ কয়। তেওঁ নিযুত মইনা আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতিৰো বুজ লয়। এই বৈঠকতে সমষ্টিটোত কৃষকৰ পৰা ধান আৰু সৰিয়হ ক্ৰয় সম্পৰ্কতো আলোচনা কৰা হয়। তেওঁ ধান আৰু সৰিয়হ ক্ৰয়ৰ লক্ষ্য পূৰণত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমত আলু খেতিৰ যথেষ্ট সম্ভাৱনা আছে। সম্প্ৰতি বহু প্ৰতিষ্ঠানে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে কৃষকৰ পৰা আলু ক্ৰয় কৰিবলৈ লৈছে। সমগ্ৰ ডিব্ৰুগড় জিলাতেই আলুখেতিৰ পৰিসৰ বৃদ্ধিৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰি তেওঁ কয় যে ইয়াৰ ফলত জিলাখনৰ বহু কৃষক উপকৃত হ'ব। এই পৰ্যালোচনা বৈঠকত পি এম কিযানৰ অধীনত সমষ্টিটোত খেতিয়কৰ পঞ্জীয়ন ব্যৱস্থাৰ অগ্ৰগতিৰ বিষয়েও তেওঁ বুজ লয়। বৈঠকত অৰুণোদয় ৩.০, বসুন্ধৰা ৩.০ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কতো আলোচনা কৰা হয়। তেওঁ অৰুণোদয় ৩.০ ৰূপায়ণ প্ৰক্ৰিয়া ৩০জুনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৰূপায়িত আঁচনি পৰ্যালোচনা কৰি গোটা আৱৰ্জনা সংগ্ৰহ আৰু নিষ্কাষণ কামৰো তেওঁ বুজ লয়। মুখ্যমন্ত্ৰীয়ে আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লৈ সমষ্টিটোত নিৰ্মীয়মান সকলোবোৰ এনে কেন্দ্ৰৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ কয়। আনহাতে এই বৈঠকত মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ থানাৰ আৰক্ষীৰ মানৱ সম্পদ, পথ দুৰ্ঘটনাৰ পৰিসংখ্যা, নিয়মিত গোচৰৰ নিষ্পত্তিৰ হাৰ, শিশু আৰু মহিলাৰ বিৰুদ্ধে অপৰাধৰ গোচৰ, বাল্য বিবাহ ৰোধ কৰাৰ দিশত পদক্ষেপ আৰু নতুন অপৰাধ আইন কিদৰে সমষ্টিটোত ৰূপায়িত হৈছে সেই বিষয়েও বুজ লয়। তেনেদৰে তেওঁ বাল্য বিবাহ ৰোধত গুৰুত্ব আৰোপ কৰে।


## দিব্যাংগসকলৰ সহায়ক হোৱাকৈ বিভিন্ন সঁজুলি

অন্যান্য পিছপৰা শ্ৰেণী (অবিচি) লাভকাৰীৰ সংখ্যাৰ মাজত এক বৃহৎ পাৰ্থক্য আছে। নাবালক ছাত্ৰ এজনে নিজে পৰ্টেলত আবেদন কৰাটো কঠিন বুলি কৈ তেওঁ এই ক্ষেত্ৰত তেওঁলোকক সহায়ৰ প্ৰয়োজন বুলি জনায়। বৃত্তি কেনেকৈ আবেদন কৰিব পাৰি আদিৰ বিষয়ে সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি মন্ত্ৰী গৰাকীয়ে পূৰ্বতকৈ অধিক পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীসকলক স্কলাৰশ্বিপ প্ৰদানৰ বাবে ব্যৱস্থা ল'বলৈ বিভাগৰ বিষয়ববীয়াসকলক নিৰ্দেশ প্ৰদান কৰে। অবিচি শিক্ষাৰ্থীৰ স্কলাৰশ্বিপৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক স্পৃহা বৃদ্ধিৰ বাবে প্ৰতিখন জিলাৰ সমন্বয়কৰ লক্ষ্য ৩০ শতাংশ বৃদ্ধি কৰিবলৈ মন্ত্ৰী হাজৰিকাই বিভাগৰ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ অ'বিচি ছাত্ৰ-ছাত্ৰীক বৃত্তিৰ বাবে নামভৰ্তিৰ বাবে আন্তৰিকতাৰে কাম কৰিবলৈ অংশীদাৰসকলক আহ্বান জনায়। ইয়াৰ পিছতে মন্ত্ৰী হাজৰিকাই ড্ৰাগছ আৰু মাদক দ্ৰব্যৰ ব্যৱহাৰ নিৰ্মূলৰ দিশত কাম কৰা সংস্থাসমূহৰ সৈতেও আলোচনাত মিলিত হয়। গুৱাহাটীৰ পুনৰ্বাসন কেন্দ্ৰসমূহৰ কাম-কাজ পৰীক্ষাৰ বাবে গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু স্বাস্থ্য বিভাগৰ সৈতে এক বৈঠক অনুষ্ঠিত কৰিবৰ বাবে তেওঁ নিৰ্দেশ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে গুৱাহাটী মহানগৰীত থকা এশৰো অধিক ৰিহেব চেণ্টাৰ সমূহলৈ আগজাননী নিদিয়াকৈ পৰিদৰ্শনৰ বাব গৈ ইয়াৰ কাৰ্যকলাপৰ বুজ ল'ব বুলি কয়। ৰিহাবত থকা কোনো চিকিৎসাধীন ব্যক্তিৰ অস্বাভাবিক মৃত্যু হ'লে তেন্তে সেই পুনৰ্বাসন কেন্দ্ৰ স্থায়ীভাৱে বন্ধ কৰি দিয়া হ'ব আৰু মালিকক ব্লেক লিষ্টত ৰখা হ'ব বুলি মন্ত্ৰী হাজৰিকাই জানিবলৈ দিয়ে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে ট্ৰান্সজেণ্ডাৰ কল্যাণ বোৰ্ডৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকতো অংশগ্ৰহণ কৰে আৰু ট্ৰান্সজেণ্ডাৰসকলৰ বিভিন্ন সমস্যা, অসুবিধা সন্দৰ্ভত আলোচনা কৰে।

# উত্তৰ বিচাৰি চাৰিটা প্ৰহৰ

চুটিগল্প

■ **মুন শৰ্মা**, লখিমপুৰ, বছাগাঁও



থুই পাগলী জনী, মানুহ জনীয়ে দৈনন্দিন শুনিব পোৱা এটা শব্দ। প্ৰতি বাৰেই ধেক, ধেক কৈ হাঁহিম আঁতৰি গুচি যায়। কাৰণ তাই বুজি নাপায়, কিয় বা ক'লে কাৰণ তাই যে পাগলী।

এটা সময়ত অঞ্চলটোৰ ৰূপাৱতী, গুণৱতী, মেধাৱী চৰিত্ৰবান ছোৱালী আছিল তাই। মহিলা হৈও সামাজিক কামত আগৰণুৱা। অঞ্চলৰ অভিনয় বুলি ক'লেই কি ৰাস ! কি নাটক ! সকলোতে তাইৰ অভিনয় সকলোতকৈ আকৰ্ষণীয়, আকৌ অঞ্চলটোৰ বহাগী সন্মিলনবোৰত গীতৰ শৰাই ভাগ তাই নিদিলে নহয়ে শ্ৰোতা ৰাইজৰ অভাৱনীয় দাবীত।

সকলো ঠিকেই আছিল, হঠাৎ তাই জীৱনলৈ নামি আহিল অমানিশা, অঞ্চলটোত লাগিল হাহাকাৰ, পৰিয়ালত নামিল আঁতৰি নোযোৱা কলীয়া ডাৱৰ। এটি স্বাভাৱিক ৰঙীন পোহৰে আৱৰি থকা জীৱনৰ হঠাৎ আন্ধাৰে আৱৰা পথত ভৰি দিবলৈ বাধ্য হৈছিল। আচলতে কৰাইছিল বাধ্য, আৰু কৰোৱা কেইটা আছিল মানুহ ৰূপী দানৱ, সমাজৰ শত্ৰু। যাৰ হাতত অসহায় হৈ ধৰ্ষণৰ বলি হ'ব লগা হ'ল তাই। পিছত তাই ওপৰত সেই দানৱ হতে দাঙি ধৰিলে মিছা বদনাম, প্ৰচাৰ কৰিলে বহুতো মিছা প্ৰচাৰ। ফলত প্ৰকৃত সত্য লুকাই পৰিল উৰিল মাথোঁ তাই চৰিত্ৰহীন। কাৰণ সেই দানৱে বুজিছিল সিহঁত ৰক্ষা পোৱা একমাত্ৰ উপায় যে এইয়া।

সময় বাগৰি গ'ল, কিছু দিন তাই লগত হৈ যোৱা ঘটনাটোৰ আলোচনা অন্ত পৰিছিল মানুহৰ মুখত, ভাবিছিল এইয়া এক দুৰ্ঘটনা আছিল হৈ গ'ল কিবা দিন কাল বেয়া আছিল, এতিয়া তাই কিছুদিন মানসিক ভাবে ভাগি পৰা পাছত আকৌ চৰল হৈ উঠিব আৰু আৰম্ভ কৰিব জীৱনৰ বাকী অধ্যায় বাবে এক নতুন যাত্ৰা। কিন্তু নহ'ল ভবা মতে কাৰণ এদিন পুলিচৰ অনুসন্ধানত সকলো স্পষ্টকৈ সকলো ওলায় পৰিছিল তথাপি তাইৰ আশে পাশে থকা মানুহখিনিৰ মনত তাই এজনী চৰিত্ৰহীন বুলিয়েই বহি ল'লে গভীৰ ভাবে।

তাই যতেই যায় তাতেই হয় তাইৰ বিষয়ে আলোচনা। তাই এনেকুৱা, তাই তেনেকুৱা। নাহে কোনো সামাজিক কামত তাইক বিচাৰি আৰু কোনো কোনো দিন, আগেই যাৰ তাই আপোন আছিল তাই লগ সমনীয়া আত্মীয় কুটুম ওচৰ চুবুৰীয়া সকলো এৰিলে তাইৰ সংগ। মানুহৰ উপলুঙা, হেই জ্ঞান, লেই লেই, চেই চেই বোৰেই আৰম্ভ কৰিলে, জীৱনটো নতুনকৈ উপভোগ কৰিম বুলি উঠি অহা ছোৱালী জনীক আকৌ মানসিক ভাবে অশান্ত। ফলত ইয়েই কৰি পেলালে তাইক এজনী মানসিক ৰোগী।

ভুল নাছিল তাইৰ ভুল কৰিছিল কেইটামান সমাজৰ বৰ মানুহে কিন্তু শাস্তি খালে তাইহে। সকলো জানিও সেই সমাজখনে চকু মুদি তাইক হে কৰিলে মানসিক ভাবে অত্যাচাৰ। পাহৰি গ'ল সমাজখনে সমাজৰ অংশীদাৰ হিচাপে তাইৰ জীৱনটো আকৌ আৰম্ভ কৰাৰ বাবে কৰিব কৰিব লগা সহযোগিতাৰ কথা। সমাজখনে নকৰিলে তাইক এই সহায়, বিপৰীতে তাইৰ জীৱনটোক আৰু ঠেলি দিলে আন্ধাৰৰ দিশলৈ বুলি।

ভাবিছোঁ আজি বহুত নিশা তাই কথাবোৰ, যিবোৰ মোক আজি আবেলি বজাৰত মোৰ বন্ধু এজনে কৈছিল। সময় কিমান হ'ল গমেই নাপালোঁ, পত্নীৰ টোপনি নাই যোৱা বুলি জানি দিয়া ধমকত হে ভাবিব এৰিলোঁ। ভাবনাত বিভুৰ এই সময়খিনিত মোৰ মনত নামিছে বহুতো প্ৰশ্ন কিন্তু কোনোটোৰে উত্তৰ মই বিচাৰি নাপালো। প্ৰশ্নবোৰ মূলতে আছিল মানুহবোৰৰ দায়িত্ব কি ! কৰিলে কি ! এক নুবুজা সাঁথৰ হৈ ভাঁহি থাকিল উৰে নিশা মোৰ মনত এইবোৰ প্ৰশ্ন অহৰহ।

ম'বাইল ঃ ৬০০০১-৭০১৬৩

# বিচ্ছেদ

■ **হীৰক কলিতা**, নলবাৰী

**তাই** মাকৰ ঘৰৰ পৰা একো যৌতুক নানিলে আৰু তাই কেতিয়াও সন্তান জন্ম দিব নোৱাৰে বাবা সেই কাৰণে এইবাৰ মই তোৰ বাবে এজনী নতুন ছোৱালী চাম। কথাবোৰ শীতলাই মনে মনে শুনি আছিল। অৱশেষত ইমান দিনে ভুগি থকা অত্যাচাৰ আৰু মানসিক শাস্তিৰ পৰা মুক্তি বিচাৰি শীতলাই বিবাহ বিচ্ছেদ কৰাৰ সিদ্ধান্ত ল'লে। স্বামী প্ৰদীপে এই কথা অস্বীকাৰ কৰিছিল যদিও মাকৰ ওপৰত সি কথা ক'ব নোৱাৰিলে। অৱশেষত শীতলা মাকৰ ঘৰলৈ উভতি আহিল শীতলাৰ দেউতাক শীতলাই সৰু থাকোঁতেই ঢুকাল ভায়েক ৰমেনে যিকোনো প্ৰকাৰে ঘৰখন চলাই আছে, মূৰৰ ওপৰত অজস্ৰ ধাৰৰ বোজা। এতিয়া ঘৰখনত আকৌ এটা নতুন বোজা শীতলা। শীতলাৰ দুচকুত দিনে-ৰাতি চকুপানী। তাই যে এতিয়া ভাবি পোৱা নাই জীৱন জীয়াই থাকিব নে মৰিব। বৃদ্ধ মাকৰ দুখ তাই চাব নোৱাৰে আৰু ভায়েকৰ কষ্ট তাই নিজ চকুৰে দেখিছে। অৱশেষত শীতলাই সিদ্ধান্ত ল'লে তাই কাম কৰিব। শীতলাই মাকৰ পুৰণি চিলাই মেচিনটো উলিয়াই ল'লে তাই সিদ্ধান্ত ল'লে যে এতিয়া তাই হাতৰ বিদ্যা ব্যৱহাৰ কৰিব, জীৱন জীয়াই থাকিব লাগিব যিকোনো প্ৰকাৰে। দুখে এৰা নিদিয়া হ'ল শীতলাক। তথাপিও তাই হাৰি যোৱা নাই জীৱন যুদ্ধত, তাই এইবাৰ আকৌ নতুন জীৱন আৰম্ভ কৰিব...।

এফালে শাহুৱেক প্ৰণীতাই সম্ভ্ৰান্ত ঘৰৰ ছোৱালী নিৰ্মালি আৰু প্ৰদীপক বিবাহ পাশত আবদ্ধ কৰালে। যৌতুকেৰে ভৰি পৰিল প্ৰণীতাৰ ঘৰ। প্ৰণীতাৰ আনন্দৰ সীমা নাই। কিন্তু এইবাৰ নিৰ্মালি মিলিব নোৱাৰিলে শাহুৱেকৰ লগত প্ৰতিটো কথাতে দুয়োৰে মাজত তৰ্ক-বিতৰ্ক, শাহুৱেকৰ লগত কোনো প্ৰকাৰে সুখী হ'ব নোৱাৰিলে নিৰ্মালি। এফালে বিবাহ হোৱাৰ এবছৰ উকলি গ'ল এতিয়ালৈ কোনো সন্তানৰ মুখ দেখুওৱাৰ পৰা নাই নিৰ্মালি। বহু কেইটা ডক্টৰক দেখুওৱাইছে যদিও এই সমস্যাৰ কোনো সমাধান পোৱা নাই । অৱশেষত ড' শৰ্মাই এই সমস্যাৰ সমাধান উলিয়ালে দোষ নিৰ্মালিৰ নাই দোষ আছে প্ৰদীপৰ। কথাষাৰ শুনাৰ লগে লগে নিৰ্মালিৰ মূৰত আকাশ ভাঙি পৰিল। শাহুৱেক প্ৰণীতা এইবাৰ মৌন, এইবাৰ সিদ্ধান্ত ল'লে নিৰ্মালিৰ দেউতাক অনন্তই বৰুৱাই নিৰ্মালিৰ বিবাহ বিচ্ছেদ কৰাই নিৰ্মালি বাবে আকৌ নতুন দৰা বিচাৰিব। সম্ভ্ৰান্ত ঘৰৰ ছোৱালী নিৰ্মালিও এই সিদ্ধান্ত স্বীকাৰ কৰিলে, তাই বিবাহ বিচ্ছেদ কৰিব। সংসাৰ ভঙাৰ দুখত প্ৰদীপ আৰু মাক প্ৰণীতাৰ মাজত এতিয়া প্ৰতিটো কথাতে কাজিয়া। অৱশেষত প্ৰণীতাই নিজৰ ভুল বুজি পালে আৰু শীতলাৰ ঠিকনা বিচাৰি শীতলাৰ ওচৰত ক্ষমা খুজিলে আৰু শীতলাক পুণৰ প্ৰদীপে বিচাৰিছে বুলি প্ৰস্তাৱ দিলে কিন্তু এইবাৰ শীতলাই সিদ্ধান্ত সলনি কৰিলে। তাই ক'লে যে এতিয়া তাই অকলে সুখী তাই আকৌ পুৰণি দিনৰ মুখামুখি হ'ব নোখোজে।




Janasanyog RO no 688/25/20-June-25

# কামৰূপৰ উত্তৰ গুৱাহাটীত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাউণ্ট ডাউন কাৰ্যসূচী পালন



**ৰমেন ভৰালী, বংশৰ ঃ** ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম, কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত তথা উত্তৰ গুৱাহাটী পৌৰসভা আৰু আৰ্ট অৱ লিভিঙৰ সহযোগত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে এক কাউণ্টডাউন কাৰ্যসূচী যোৱা ১৫ জুনত কামৰূপৰ উত্তৰ গুৱাহাটীস্থিত ইতিহাসপ্ৰসিদ্ধ অশ্বক্লান্ত দেৱালয় প্ৰাংগণত অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ। অনুষ্ঠানত বক্তব্য ৰাখি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই অংশগ্ৰহণকাৰী সকলোকে যোগাভ্যাসক জীৱনৰ এটা অংগ হিচাবে লৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেওঁৰ সৈতে কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, অতিৰিক্ত জিলা আয়ুক্ত মুনমী কলিতা, অশ্বক্লান্ত দেৱালয়ৰ দলৈ লক্ষেশ্বৰ শৰ্মা, উত্তৰ গুৱাহাটী পৌৰসভাৰ উপ-পৌৰপতিকে ধৰি বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত যোগ কাৰ্যসূচীত জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, পৌৰসভাৰ বিষয়া-কৰ্মচাৰী, অশ্বক্লান্ত দেৱালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, দলৈ আৰু জিলাখনৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি প্ৰায় তিনি শতাধিক লোকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ জিলাভিত্তিক মূল কাৰ্যসূচী অহা ২১ জুন তাৰিখে জিলাখনৰ মিৰ্জাস্থিত শ্বহীদ ভৱনত অনুষ্ঠিত হ'ব। একেদিনাই জিলা প্ৰশাসনৰ উদ্যোগত এইমছ-গুৱাহাটীতো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আন এক কাৰ্যসূচী অনুষ্ঠিত হ'ব। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে জিলা ভিত্তিত যোগাসন প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব।

# নগাঁৱৰ নৰেনৈত ভয়ংকৰ পথ দুৰ্ঘটনা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** চাৰিলেনযুক্ত পথৰ সুবিধা থকাৰ পাছতো তীব্ৰ গতি বাহনৰ দৌৰাত্ম্যৰ ফলত সাধাৰণ নিৰীহ লোকৰ প্ৰাণ কাঢ়ি নিয়া ঘটনা এতিয়া সঘনাই সংঘটিত হ'বলৈ লৈছে। আৰক্ষী সূত্ৰই জনোৱা মতে নিশা ডবকাৰ পৰা নগাঁও দিশে আহি থকা তীব্ৰ বেগী মালবাহী বাহন এখনে নৰেনৈ দিশৰ পৰা নিজ গৃহলৈ আহি থকা বাবুল আলী (৪৫) নামৰ এজন চাইকেল আৰোহীক প্ৰচণ্ড জোৰত খুণ্ডা মৰাৰ ফলত লোকজনৰ থিতাতে মৃত্যু হয়। ঘটনাস্থলীত স্থানীয় লোক আৰু আৰক্ষী উপস্থিত হৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত লোকজনক ততাতৈয়াকৈ নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে আনে যদিও চিকিৎসকে লোকজনক মৃত বুলি ঘোষণা কৰে। উল্লেখ্য যে বাবুল আলীৰ ঘৰ নৰেনৈ অঞ্চলৰ সমীপৰ পানীখাইটিৰ পথাৰচুকত বুলি জানিব পৰা গৈছে। বাতৰি লিখা সময়লৈকে ঘটনাটো সংঘটিত কৰিয়েই পলায়ন কৰা বাহনখনৰ কোনো ধৰণৰ শুংসূত্ৰ এতিয়াৰ আৰক্ষীয়ে উলিয়াব পৰা নাই।




## উদুলি-মুদুলি চমুৱাগাঁও বৰনামঘৰৰ বাকৰি

# বলিষ্ঠ অভিনয়েৰে প্ৰদৰ্শন অসমীয়া ভাওনা 'ভক্ত প্ৰহ্লাদ'



**জয়ন্ত মুদৈ, নগাঁও ঃ** বৰ্তমান আধুনিকতাৰ ধামখুমীয়াত পৰি অসমীয়া ভাওনাৰ প্ৰতি আগ্ৰহ কমি গৈছে নৱ প্ৰজন্মৰ। সেয়ে আগৰ দৰে গ্ৰামাঞ্চলত সাম্প্ৰতিক সময়ত দেখা পোৱা নাযায় অসমীয়া ভাওনাৰ চৰ্চা কিম্বা প্ৰদৰ্শন। তথাপিও নগাঁও জিলাৰ ঠায়ে ঠায়ে অসমীয়া ভাওনা একাংশ গঞাই প্ৰদৰ্শন কৰি আহিছে। ইয়াৰ অন্যতম উদাহৰণ হিচাপে জিলাখনৰ হাতীচোং মৌজাৰ এলেকাধীন বৃহত্তৰ চমুৱাগাঁৱৰ কথাকে ক'ব পাৰি। এই গাঁওখনৰ ৰাইজে প্ৰতিবছৰে নৱ প্ৰজন্মক ভাওনা সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰাৰ লক্ষ্যৰে পৰম্পৰাগতভাৱে অসমীয়া ভাওনা প্ৰদৰ্শন কৰি আহিছে । ইয়াৰ অংশ হিচাপে চমুৱাগাঁও বৰনামঘৰত আয়োজিত পৰম্পৰাগত বছেৰেকীয়া বৰনাম উৎসৱ উপলক্ষে দিনযোৰা ধৰ্মীয় কাৰ্যসূচীৰ লগতে নিশাৰ ভাগত প্ৰদৰ্শন কৰা হয় অসমীয়া ভাওনা 'ভক্ত প্ৰহ্লাদ'। কেইবা শতাধিক দৰ্শকৰ সমাগমেৰে উদুলি-মুদুলি হৈ পৰা বৰনামঘৰ বাকৰিত প্ৰদৰ্শিত এই অসমীয়া ভাওনাখনিয়ে সকলোকে বেছ আপ্লুত কৰিবলৈ সক্ষম হয়। গাঁওখনৰ পুৰুষ-মহিলাৰ দ্বাৰা পৰিবেশিত অসমীয়া ভাওনাখনিত সকলো শিল্পীয়ে চৰিত্ৰানুযায়ী বলিষ্ঠ ৰূপত কৰা সাৱলীল অভিনয়েৰে নিজস্ব প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি অন্তিম মুহূৰ্তলৈকে অনুষ্ঠানস্থলীত আবদ্ধ কৰি ৰাখিলে কৌতূহলী দৰ্শকক। গাঁওখনৰ সাংস্কৃতিক কৰ্মী উমেশ ভাৰতী, গোলাপ নাথ আৰু ৰূপেন দাসৰ পৰিচালনাত প্ৰাণ পাই উঠা ভাওনাখনিত সকলোৱে নিখুঁত আৰু স্পষ্ট ৰূপত ফুটাই তুলিছিল বিভিন্ন চৰিত্ৰাৱলী। যাৰ পৰিণতিত প্ৰতিগৰাকী ভাৱৰীয়াৰ ৰং-বিৰঙৰ পোছাক, তীক্ষ্ণ তৰোৱালৰ চিকমিকনিৰ লগতে ধনু-কাঁড়, গদা আদি চলোৱাৰ প্ৰকাশ ভংগীয়ে সৰ্বস্তৰৰ দৰ্শকৰ মন পুলকিত কৰি তোলাৰ বিপৰীতে ভাৱৰীয়াৰ প্ৰৱেশ নৃত্য, বচন-ভংগী, যুদ্ধত অস্ত্ৰ চালনা আদিয়ে উপস্থিত দৰ্শকক মন্ত্ৰমুগ্ধ কৰিবলৈ সক্ষম হয়। তদুপৰি খোল-তালৰ মধুৰ শব্দ, ব্ৰজাৱলী ভাষাৰ সুমধুৰ কাব্যিক বচন, বিলাপ, পয়াৰ, স্তুতি, লেচেৰী, মুক্তাৱলী আদিৰ সংমিশ্ৰিত শব্দই এক নান্দনিক পৰিৱেশৰ সূচনা কৰি তোলা পৰিলক্ষিত হয়। নৱ প্ৰজন্মৰ মাজত প্ৰায় অনাদৃত হৈ পৰা ভাওনা সংস্কৃতিক এনেদৰে তুলি ধৰাৰ চমুৱাগাঁওবাসীয়ে চলোৱা প্ৰয়াসৰ শলাগ লৈছে সচেতন মহলে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা